সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩২ বছৰ, ৩১ সংখ্যা, ১৬ শাওণ, ৰবিবাৰ,১৪৩৩ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 31 Date of Publication- 2 August 2026 Rs. 10.00/-

## কমনৱেলথ গেমছত ৰূপৰ পদক লাভ লাভলীনাৰ




ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰত তথা অসমলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হ'ল অসম সন্তান বক্সাৰ লাভলীনা বৰগোঁহায়ে। গ্লাছগোত চলি থকা কমনৱেলথ গেমছৰ মহিলাৰ ৭৫ কেজি শাখাৰ ফাইনেলত পৰাস্ত হলেও ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে অসমৰ গৌৰৱ, ভাৰতীয় তাৰকা বক্সাৰ লাভলীনা বৰগোহাঁয়ে। ভাৰতীয় সময় অনুসৰি শনিবাৰে নিশা অনুষ্ঠিত ৭৫ কেজি শাখাৰ ফাইনেল মেচখনত অষ্ট্ৰেলিয়াৰ বক্সাৰ এমা-ছু গ্ৰীণট্ৰিৰ হাতত ৪-১ পইণ্টত পৰাস্ত হয় লাভলীনা। উল্লেখ্য যে, লাভলীনা বৰগোঁহায়ে কমনৱেলথ গেমছৰ মহিলাৰ ৭৫ কেজি শাখাৰ ছেমি ফাইনেলত আফগানিস্তানৰ তুভালুৰ তাৰোণা টাফাকিক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। ফাইনেলৰ আৰম্ভণিৰ পৰা দুয়োগৰাকী বক্সাৰে অত্যন্ত সতৰ্ক আৰু কৌশলী প্ৰদৰ্শন আগবঢ়ায়। অষ্ট্ৰেলিয়াৰ বক্সাৰগৰাকীয়ে আক্ৰমণাত্মক মনোভাবেৰে খেলি লাভলীনাক বেকফুটলৈ ঠেলি দিয়ে। প্ৰথম ৰাউণ্ডত অষ্ট্ৰেলিয়াৰ বক্সাৰৰ্গৰাকীয়ে চাৰিজন বিচাৰকৰ পৰা দহ পইণ্ট লাভ কৰাৰ বিপৰীতে লাভলীনাই মাত্ৰ এজনৰ পৰাহে দহ পইণ্ট লাভ কৰে। দ্বিতীয় ৰাউণ্ডত লাভলীনাই দুৰ্দান্ত প্ৰত্যাৱৰ্তনেৰে অষ্ট্ৰেলিয়াৰ বক্সাৰগৰাকীক বিপদত পেলায়। তৃতীয় তথা নিৰ্ণায়ক ৰাউণ্ডত লাভলীনা সম্পূৰ্ণৰূপে বিধ্বস্ত হৈ পৰে। এই ৰাউণ্ডত লাভলীনাই কোনো সুযোগেই ল'ব নোৱাৰিলে। পাঁচ বিচাৰকৰ চাৰিজনে অষ্ট্ৰেলিয়াৰ বক্সাৰৰ পক্ষত ৰায় দিয়াৰ বিপৰীতে মাত্ৰ এজনেহে লাভলীনাৰ পক্ষ লয়। বিচাৰকৰ সিদ্ধান্তত অষ্ট্ৰেলিয়াৰ বক্সাৰগৰাকী বিজয়ী হয়। যদিও সোণৰ পদকৰ সপোন পূৰণ নহ'ল তথাপি এই সাফল্যৰ জৰিয়তে তেওঁ পুনৰবাৰ ভাৰতৰ বাবে আন্তঃৰাষ্ট্ৰীয় মঞ্চত পদক জয় কৰি দেশ তথা অসমৰ গৌৰৱ বৃদ্ধি (দহ পৃষ্ঠাত চাওক)

## আজিৰে পৰা লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ স্বগণনা



ৰঙিলী বাৰ্ত্তাসেৱা- পূৰ্বনিৰ্ধাৰিত সূচী অনুসৰিয়েই ৰাজ্যত আজিৰ পৰা আৰম্ভ হ'ব লোকপিয়ল-২০২৭ৰ স্ব- গণনা। ১৬ আগষ্টলৈ চলিবলগীয়া ১৫দিনীয়া এই স্ব-গণনাৰ অন্তত ১৭ আগষ্টৰ পৰা ১৫ ছেপ্টেম্বৰ পৰ্যন্ত লোকপিয়লক প্ৰথম পৰ্যায়ৰ কাম চলিব। এই প্ৰথম পৰ্যায়ত গণনাকাৰীসকলে ঘৰে ঘৰে গৈ সংগ্ৰহ কৰিব গৃহ তালিকাভুক্তকৰণ আৰু হাউছিং চেঞ্চাছৰ তথ্য। এই বিষয়ে শনিবাৰে দিছপুৰস্থিত জনতা ভৱনত অনুষ্ঠিত এখন সংবাদ মেলত বিশদভাৱে সদৰী কৰে অসমৰ লোকপিয়ল পৰিচালনাৰ সঞ্চালক বিশ্বজিৎ পেগুৱে। স্ব-গণনা ( দুই পৃষ্ঠাত চাওক)

## অসমলৈ ৩৭৯.৩৫ কোটি টকাৰ অনুমোদন কেন্দ্ৰৰ



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰলয়ংকৰী বানত বিধ্বস্ত অসমলৈ শনিবাৰে কেন্দ্ৰীয় চৰকাৰে ৩৭৯.৩৫ কোটি টকাৰ এক পেকেজ মুকলি কৰি দিছে। ২০২৬-২৭ বিত্তীয় বৰ্ষৰ এছ ডি আৰ এফৰ কেন্দ্ৰীয় অংশীদাৰিত্বৰ প্ৰথম কিস্তিৰ ধন শনিবাৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মুকলি কৰে। কেন্দ্ৰীয় চৰকাৰে শনিবাৰে জাৰি কৰা এক আনুষ্ঠানিক বিবৃতি অনুসৰি বাৰিষাৰ সময়ত বানত ক্ষতিগ্ৰস্ত হোৱা সাতখন ৰাজ্যক সহায় কৰিবলৈ ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজিৰ ২, ১১৭.৮৫ কোটি টকাৰ অংশৰ আগতীয়াকৈ মুকলি কৰিবলৈ অনুমোদন জনাইছে। বানত ক্ষতিগ্ৰস্ত ৰাজ্যসমূহৰ ভিতৰত হিমাচল প্ৰদেশ, ওড়িশা আৰু নাগালেণ্ডে ইতিমধ্যে (দহ পৃষ্ঠাত চাওক)

## বিগত বৰ্ষৰ তুলনাত ১৫.৪ শতাংশ জি এছ টি বৃদ্ধি




ৰঙিলী বাৰ্ত্তাসেৱা- সদ্যসমাপ্ত জুলাই মাহত দেশত জি এছ টি সংগ্ৰহ ২.১১ লাখ কোটি টকালৈ বৃদ্ধি পাইছে। শনিবাৰে বিত্ত মন্ত্ৰালয়ে প্ৰকাশ কৰা তথ্যমতে বিগত বৰ্ষৰ জুলাই মাহৰ তুলনাত এই বৃদ্ধি ১৫.৪ শতাংশ। ২০২৫ চনৰ জুলাইত সংগৃহীত জি এছ টিৰ পৰিমাণ আছিল ১.৯৫ লাখ কোটি টকা। সদ্যসমাপ্ত জুলাই মাহত সংগৃহীত জি এছ টিৰ ভিতৰত চি জি এছ টি ৩৯, ৮৩৫ কোটি টকা, এছ জি এছ টি ৪৭, ৮৮১ কোটি টকা আৰু আই জি এছ টি ১.২৩ লাখ কোটি টকা। জি এছ টিৰ সংগ্ৰহ বৃদ্ধিয়ে স্পষ্ট কৰিছে আন্তঃৰাজ্যিক ব্যৱসায় আৰু আমদানি বৃদ্ধিৰ ঊৰ্ধ্বমুখী ধাৰাক। জুলাই মাহত জি এছ টি ৰিফাণ্ডৰ পৰিমাণ ২৯, ৯৮৮ কোটি টকা।

## অন্ধ্ৰপ্ৰদেশত বিমান বন্দৰ উদ্বোধন প্ৰধানমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শনিবাৰে অন্ধ্ৰপ্ৰদেশৰ বিজয়নগৰম জিলাৰ ভোগপুৰমত আল্লুৰী সীতাৰামা ৰাজু আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ উদ্বোধন কৰে। প্ৰায় ৫, ০০০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মিত এই নতুন বিমানখনৰ জৰিয়তে উত্তৰ অন্ধ্ৰ অঞ্চলৰ যোগাযোগ ব্যৱস্থা আৰু অৰ্থনৈতিক বিকাশ ত্বৰান্বিত হ'ব। এই উদ্বোধনী অনুষ্ঠানে প্ৰধানমন্ত্ৰীগৰাকীয়ে কংগ্ৰেছক কটাক্ষ কৰি কয় দেশৰ বিমান বন্দৰসমূহৰ নাম পূৰ্বে এটা পৰিয়ালৰ লোকসকলৰ নামত ৰখা হৈছিল। কিন্তু আমি সেই পৰম্পৰা সলনি কৰি দিছো। বিমান বন্দৰ নামকৰণৰ (দহ পৃষ্ঠাত চাওক)

# ৩৭ লাখৰো অধিক মহিলাই লাভকৰিলে অৰুণোদয় আঁচনিৰ ধন



ৰঙিলী বাৰ্ত্তাসেৱা-বান-বিভীষিকাৰ মাজতে শনিবাৰে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে অৰুণোদয় ৩.০ আঁচনি শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ দামোদৰদেৱ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা এক অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই এই আঁচনিৰ শুভাৰম্ভণি কৰে। পোনপটীয়া লাভালাভ হস্তান্তৰৰ জৰিয়তে ৰাজ্যখনৰ ৩৭ লাখৰো অধিক মহিলা হিতাধিকাৰীৰ বেংক একাউণ্টলৈ মাহিলী আৰ্থিক সাহায্য প্ৰেৰণ কৰা হয়। একে সময়তে ৰাজ্যজুৰি গাঁও পঞ্চায়ত, নগৰীয়া স্থানীয় নিকায়, গাঁও পৰিষদ উন্নয়ন সমিতি বা ভিচিডিচি, গাঁও উন্নয়ন সমিতি বা ভিডিচি আৰু এমএচিসমূহৰ অন্তৰ্গত ৩, ৫০০ৰো অধিক স্থানত একেধৰণৰ অনুষ্ঠানৰ আয়োজন কৰা হয়। বিশেষ মানবীয় পদক্ষেপ হিচাপে শিৱসাগৰ, চৰাইদেউ, গোলাঘাট আৰু যোৰহাট জিলাৰ বানপীড়িত অৰুণোদয় হিতাধিকাৰীসকলক শেহতীয়া বানত হোৱা ক্ষতিৰ পৰা সামান্য সকাহ হিচাপে ২, ৫০০ টকাকে বিশেষ আৰ্থিক সহায় আগবঢ়োৱা হয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে, চলিত বৰ্ষৰ এপ্ৰিলত ৯ হাজাৰকৈ ( তিনিপৃষ্ঠাত চাওক)

# আজিৰে পৰা লোকপিয়লৰ


সন্দৰ্ভত তেওঁ কয় যে জনসাধাৰণে se.census.gov.in প'ৰ্টেলৰ জৰিয়তে নিজৰ আৰু ব্যক্তিগত তথ্য অনলাইনযোগে দাখিল কৰিব পাৰিব। এই প'ৰ্টেলটো চ আগষ্টত মুকলি কৰি দিয়া হ'ব। প'ৰ্টেলত স্ব-গণনা কৰাসকলৰ বিপৰীতে একোটাকৈ আইডি জেনেৰেট কৰি পঠোৱা হ'ব ৰেজিষ্টাৰ্ড ম'বাইল ফোন নম্বৰলৈ। গণনাৰ সময়ত সেই আইডিটো সংশ্লিষ্ট ব্যক্তিজনে গণনাকাৰীক দিব লাগিব। স্ব-গণনাই লোকপিয়লক অধিক অংশগ্ৰহণমূলক তথা নাগৰিককেন্দ্ৰিক কৰি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণত সহায় কৰিব। গৃহ তালিকাভুক্তকৰণ অভিযান আৰু গৃহ লোকপিয়ল আৰম্ভ হোৱাৰ পূৰ্বে নাগৰিকে নিজৰ ঘৰুৱা তথ্য সুবিধাজনকভাৱে প্ৰদান কৰিবলৈ এই ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে বুলি তেওঁ কয়। তেওঁ লগতে সদৰী কৰামতে অহা ৰছ আগষ্টত স্ব-গণনাৰ সময়সীমা সমাপ্ত হোৱাৰ পিচত অহা ১৭ আগষ্টৰ পৰা ১৫ ছেপ্টেম্বৰলৈ গৃহ তালিকা অভিযান আৰু গৃহ লোকপিয়ল আৰম্ভহ'ব। এই সময়ছোৱাত প্ৰশিক্ষিত গণনাকাৰীয়ে ঘৰে ঘৰে গৈ প্ৰয়োজনীয় তথা সবিশেষ তথ্য সংগ্ৰহ কৰাৰ লগতে সেয়া নিশ্চিত কৰিব। সঞ্চালক পেগুৱে নাগৰিকে প্ৰদান কৰা তথ্যৰ গোপনীয়তা ৰক্ষাৰ বাবে গ্ৰহণ কৰা সুৰক্ষা ব্যৱস্থাসমূহৰ বিষয়তো আলোকপাত কৰি কয় যে লোকপিয়লৰ সময়ত সংগ্ৰহ কৰা তথ্যসমূহ লোকপিয়ল আইন, ১৯৪৮ৰ বিধানৰ অধীনত সুৰক্ষিত হৈ থাকিব আৰু ব্যক্তিগত তথ্যৰ সুৰক্ষা বিধিগতভাৱে নিশ্চিত কৰা হ'ব। আনহাতে সাম্প্ৰতিক বান পৰিস্থিতিৰ বাবে শিৱসাগৰ আৰু চৰাইদেউ জিলাত লোকপিয়লৰ সৈতে জড়িত প্ৰশিক্ষণ কাৰ্যসূচী তথা অন্যান্য প্ৰস্তুতিমূলক কাৰ্যকলাপ পৰৱৰ্তী নিৰ্দেশ নিদিয়ালৈকে পিচুৱাই দিয়া হৈছে বুলি সঞ্চালকগৰাকীয়ে জনায়। সংবাদমেলত অসমৰ লোকপিয়ল পৰিচালনা সঞ্চালকালয়ৰ বিষয়াসকলে অনলাইন পঞ্জীয়ন, ঘৰুৱা তথ্য দাখিল, গুৰুত্বপূৰ্ণ সময়সীমা আৰু প'ৰ্টেলৰ অন্যান্য বৈশিষ্ট্যসমূহকে ধৰি স্ব-গণনা প্ৰক্ৰিয়াৰ বিষয়ে বিশদভাৱে ব্যাখ্যা কৰে। প্ৰথম পৰ্যায়ত গৃহ পিয়লৰ জৰিয়তে সংগ্ৰহ কৰিবলগীয়া তথ্যৰ আভাস দি সঞ্চালক পেগুৱে সংবাদমেলত কয়- 'গৃহৰ অৱস্থা বা গৃহত কি কি আছে সেই তথ্য ফেজ-১ত গৃহ পিয়লৰ জৰিয়তে সংগ্ৰহ কৰিম। মুঠ ৩৩টা প্ৰশ্ন থাকিব। ঘৰৰ লাইন নম্বৰ, বিল্ডিং নম্বৰ, চেনছাছ হাউছ নম্বৰ, ব্যক্তিৰ ঘৰৰ মজিয়াত কি সামগ্ৰী ব্যৱহাৰ কৰা হৈছে আদি তথ্য সংগ্ৰহ কৰা হ'ব।' ইয়াৰ পিচতে আৰম্ভ হ'ব জনগণনাৰ - কাম। ইয়াৰ সম্পূৰ্ণ প্ৰক্ৰিয়া ব্যাখ্যা কৰি সঞ্চালক পেগুৱে কয়- 'জনগাঁথনি বা সামাজিক-সাংস্কৃতিক, অৰ্থনৈতিক পৰিমাপ; 'মাইগ্ৰেচন ফাৰ্টিলিটি কেৰেক্টাৰিষ্টিক অৱ ইণ্ডিভিজুৱেল' আদি সন্দৰ্ভত প্ৰত্যেকটো ঘৰৰ পৰা আমি কি তথ্য-সংগ্ৰহ কৰিম তাৰ আচল যিটো পিয়ল, যাক আমি জনগণনা বুলি কওঁ সেয়া আমি দ্বিতীয় পৰ্যায়ত কৰিম। ঘৰৰ মুঠ সদস্য সংখ্যা, ঘৰৰ মুৰব্বীৰ নাম, লিংগ, ঘৰখনত বিবাহিত দম্পতীৰ সংখ্যা কিমান তেনে প্ৰশ্ন গৃহ তালিকাত সোধা হ'ব। ' সাংবাদিকৰ এক প্ৰশ্নৰ উত্তৰত যদি কোনোবাই স্ব-গণনা নকৰেও, তথাপি লোকপিয়ল অভিযান সঞ্চালকালয়ৰ গণনাকাৰীয়ে প্ৰত্যেকৰে ঘৰে ঘৰে গৈ তথ্য সংগ্ৰহ কৰিব বুলি জানিবলৈ দি তেওঁ স্পষ্ট কৰি দিয়ে যে কোনোবাই যদি ভাবে, স্ব-গণনা নকৰিলে লোকপিয়ল নহ'ব নেকি? সেইটো নহয়। এয়া বিকল্পহে। সঞ্চালক পেগুৱে জানিবলৈ দিয়া মতে, ২০১১ চনত লোকপিয়লে ২৭খন জিলা সামৰি লৈছিল। কিন্তু এইবাৰৰ লোকপিয়লৰ আওতাত থাকিব ৩৫খন জিলা। সেইদৰে পূৰ্বে উপ-জিলা ১৮৪খন, বিধিবদ্ধ চহৰ ৮৮খন, লোকপিয়ল চহৰ ১২৬খন আৰু গাঁও ২৬, ৩৯৫খন আছিল। কিন্তু লোকপিয়ল-২০২৭ত উপ-জিলাৰ সংখ্যা ১৬৬খন, বিধিবদ্ধ চহৰ ১২২খন, লোকপিয়ল চহৰ ১৮৩খন আৰু লোকপিয়ল চহৰসহ গাঁৱৰ সংখ্যা হৈছে ২৬, ২৩৬খন। তদুপৰি সমগ্ৰ ৰাজ্যখনক ৬৬, ৮৭৮টা ব্লকত বিভক্ত কৰা হৈছে। তেওঁ লোকপিয়লত নিয়োজিত হ'বলগীয়া কৰ্মচাৰীসকলৰ পৰিসংখ্যাও দাঙি ধৰে। সেই অনুসৰি এইবাৰৰ লোকপিয়লত ৰিজাৰ্ভ কৰ্মীসহ মুঠ গণনাকাৰী আৰু ছুপাৰভাইজৰ থাকিব ৮৫, ২৭২জন। ইয়াৰে প্ৰায় ৭৩ হাজাৰ গণনাকাৰী আৰু ১২, ২৭০ ন ছুপাৰভাইজৰ। ২০১১ চনত গণনাকাৰী ৬৬, ৭৭৬জন থকাৰ বিপৰীতে ছুপাৰভাইজৰ আছিল ১০, ৭০১জন। ইতিমধ্যে দুজন ৰাষ্ট্ৰীয় প্ৰশিক্ষক, ৫৯ মাষ্টাৰ ট্ৰেইনাৰ, ১, ১০৯ ফিল্ড ট্ৰেইনাৰৰ লগতে প্ৰিন্সিপাল চেন্সাছ অফিচাৰ আৰু অতিৰিক্ত প্ৰিন্সিপাল চেন্সাছ অফিচাৰসকলৰ প্ৰশিক্ষণ সম্পন্ন হৈছে। উল্লেখ্য যে স্বাধীনতাৰ পিচত এয়া আঠসংখ্যক লোকপিয়লৰ প্ৰস্তুতি। ২০১১ চনতেই শেষবাৰৰ বাবে হৈছিল লোকপিয়ল। সংবাদমেলত অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ সচিব যতীন বৰা, পাৰ্থ পেগু, অতিৰিক্ত সচিব তথা নডেল বিষয়া (লোকপিয়ল), সাধাৰণ প্ৰশাসন বিভাগ আৰু ৰাজ্য চৰকাৰ তথা লোকপিয়ল পৰিচালনা সঞ্চালকালয়, অসমৰ অন্যান্য উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

# কমনৱেলথ গেমছত সোণৰ পদক লাভ বক্সাৰ প্ৰীতি পাৱাৰৰ




ৰঙিলী বাৰ্ত্তাসেৱা- গ্লাছগোত অনুষ্ঠিত কমনৱেলথ গেমছ ২০২৬ত মহিলাৰ ৫৪ কেজি শাখাৰ ফাইনেলত ভাৰতীয় বক্সাৰ প্ৰীতি পাৱাৰে সোণৰ পদক জয় কৰিছে। ফাইনেলত প্ৰীতি পাৱাৰে কানাডাৰ ডেলগাডো ছাভানাহক সহজেই পৰাস্ত কৰে। তিনিওটা ৰাউণ্ডতে প্ৰীতিয়ে নিজৰ আধিপত্য বজাই ৰাখে আৰু পাঁচগৰাকী বিচাৰকৰ আটাইকেইজনে প্ৰীতিৰ পক্ষত ৰায় দিয়ে। ২২ বছৰীয়া প্ৰীতিৰ বাবে এয়া কমনৱেলথ গেমছত প্ৰথমটো পদক। কমনৱেলথ গেমছত প্ৰীতিয়ে প্ৰতিগৰাকী প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে দৰ্শনীয় প্ৰদৰ্শন আগবঢ়াই সোণৰ পদক জয় কৰে। প্ৰথম ৰাউণ্ডত তেওঁ মালাৱিৰ বক্সাৰক নকআউট কৰে। ইয়াৰ পিছত নৰ্দৰ্ন আয়াৰলেণ্ড আৰু জাম্বিয়াৰ প্ৰতিদ্বন্দ্বীকো একপক্ষীয়ভাৱে পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। ফাইনেলতো প্ৰথম ৰাউণ্ডৰ পৰাই কানাডাৰ বক্সাৰগৰাকীক নিজৰ পাঞ্চ প্ৰয়োগ কৰাৰ সুযোগ নিদিলে প্ৰীতিয়ে। বিশ্বৰ ৩ নম্বৰ বক্সাৰ প্ৰীতিয়ে এগৰাকী বিশ্ব চেম্পিয়নৰ দৰে আত্মবিশ্বাসী প্ৰদৰ্শন আগবঢ়ায়। ইয়াৰ পূৰ্বে তেওঁ ২০২৫ৰ ৱৰ্ল্ড বক্সিং কাপত সোণৰ পদক জয় কৰিছিল। প্ৰীতি পাৱাৰে কমনৱেলথ গেমছ ২০২৬ত ভাৰতক বক্সিৰ প্ৰথমটো পদক আনি দিয়ে। আনহাতে, জেচমিন লাম্বোৰিয়ায়ো সোণৰ পদক জয় কৰাত ভাৰতৰ মুঠ সোণৰ পদকৰ সংখ্যা ৭টালৈ বৃদ্ধি পাইছে। পদক তালিকাত ভাৰতৰ বৰ্তমান ৭টা সোণ, ১২টা ৰূপ আৰু ৬টা ব্ৰঞ্জ সহ ষষ্ঠ স্থানত আছে।

# প্ৰতিবাদথলীৰ পৰা গালি পৰা ছাত্ৰ-ছাত্ৰীক ক্ষমা কৰি দিলে প্ৰধানমন্ত্ৰী মোদীয়ে



ৰঙিলী বাৰ্ত্তাসেৱা- দিল্লীৰ যন্তৰ মন্তৰত হোৱা শেহতীয়া প্ৰতিবাদী কাৰ্যসূচীৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক 'গালি পৰা' ছাত্ৰ-ছাত্ৰীক তেওঁ ক্ষমা কৰি দিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শুকুৰবাৰে নিশা ইনষ্টাগ্ৰামত এটা ভিডিঅ' প্ৰকাশ কৰে। উক্ত বাৰ্তাটোতে প্ৰধানমন্ত্ৰী মোদীয়ে তেনে ছাত্ৰ-ছাত্ৰীক শাস্তি দিয়াৰ সলনি বাট দেখুৱাবলৈ আহ্বান জনায়। ভিডিঅ' বাৰ্তাটোত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে তেওঁ আৰু তেওঁৰ মাতৃৰ বিৰুদ্ধে ব্যৱহাৰ কৰা কটু বাক্যবোৰ অত্যন্ত অস্বস্তিকৰ। কিন্তু তেওঁ যুৱক-যুৱতীক তেওঁলোকৰ ভুলৰ পৰা শিকনি লোৱাৰ এটা সুযোগ দিয়াত গুৰুত্ব দিয়ে। তেওঁ কয়, 'যন্তৰ মন্তৰত কি ঘটিছিল... দেশৰ বিভিন্ন ঠাইৰ পৰা অহা ল'ৰা-ছোৱালীহঁতে অত্যন্ত কটু ভাষা ব্যৱহাৰ কৰিছিল। তেওঁলোকে মোক গালি পাৰিছিল, আনকি তেওঁলোকে মোৰ প্ৰয়াত মাতৃকো গালি পাৰিছিল। ই অত্যন্ত অস্বস্তিকৰ আছিল।' প্ৰধানমন্ত্ৰী মোদীয়ে অৱশ্যে কয় যে শাস্তি বা দীঘলীয়া আইনী কাৰ্যব্যৱস্থাই সহায় নকৰিব। তেওঁ কয়, 'ল'ৰা-ছোৱালীহঁতে ভুল কৰে আৰু ল'ৰালি হৈছে সেই কাল, যেতিয়া তেওঁলোকক তেওঁলোকৰ ভুল শুধৰাবলৈ সময় দিব লাগে।' প্ৰধানমন্ত্ৰীয়ে আৰু কয়, 'যিসকলে মোক গালি পাৰিছিল, মই তেওঁলোকক ক্ষমা কৰি দিবলৈ বিচাৰোঁ। মই সমাজক মোৰ সিদ্ধান্ত গ্ৰহণ কৰিবলৈ অনুৰোধ জনালোঁ।' এটা ৰূপক (মেটাফৰ) ব্যৱহাৰ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, 'কেতিয়াবা আমি অনিচ্ছাকৃতভাৱে জিভাত কামোৰ খাওঁ আৰু তেজ ওলায়। কিন্তু আমি আমাৰ দাঁত ভাঙি নেপেলাওঁ, কাৰণ দাঁত আৰু জিভা দুয়োটাই আমাৰ নিজৰ।' মোদীয়ে আৰু কয়, 'তেওঁলোকে বিপথে পৰিচালিত, আৰু তেওঁলোকক বাট দেখুওৱাটো আমাৰ দায়িত্ব। তেওঁলোকক শাস্তি দিয়া, তেওঁলোকক আদালতলৈ নিয়া বা তেওঁলোকক সামাজিক হাৰাশাস্তি কৰাই একো সলনি নকৰে।'

# মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ১১ কোটি টকা আগবঢ়ালে গৌতম আদানিয়ে



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ ৪ জিলাত বানে সংহাৰী ৰূপ ধাৰণ কৰি তাণ্ডৱলীলা চলোৱাৰ পিছতে ভিন্নজনে ভিন্ন ধৰণেৰে সহায়ৰ হাত আগবঢ়াইছে। মন্ত্ৰী, বিধায়কৰ আৰম্ভ কৰি বলীউডৰ অভিনেতাৰ পৰা উদ্যোগপতিলৈকে সকলোৱে মুখ্যমন্ত্ৰী সাহায্য পুঁজিলৈ অৰ্থ প্ৰেৰণ কৰিছে । শেহতীয়াকৈ অসমৰ বানাক্ৰান্তসকলৰ সহায়ৰ বাবে দেশৰ প্ৰখ্যাত উদ্যোগপতি গৌতম আদানিয়ে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আগবঢ়াইছে ১১ কোটি টকাৰ অনুদান। উদ্যোগপতিগৰাকীৰ উদাৰ অনুদানত আন্তৰিকতাৰে কৃতজ্ঞতা জনাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে কয় যে অসমৰ বানপীড়িতৰ সহায়ৰ বাবে গৌতম আদানিয়ে মুখ্যমন্ত্ৰীৰ সাহায্য (দহ পৃষ্ঠাত চাওক)

# ৯ আগষ্টৰ পৰা বিদ্যালয় খোলাৰ পৰিকল্পনা ৰাজ্য চৰকাৰৰ



ৰঙিলী বাৰ্ত্তাসেৱা- উজনিৰ শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ বান পৰিস্থিতিকলৈ শুকুৰবাৰে কেবিনেটত বিশদ আলোচনা কৰি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয় । যোৱা ১৯ জুলাইত শিৱসাগৰ-চৰাইদেউ-যোৰহাট আৰু গোলাঘাট জিলালৈ নামি অহা বানৰ বিভীষিকাই ইতিমধ্যে থানবান কৰি পেলাইছে জিলা চাৰিখনৰ আন্তঃগাঁথনি। এতিয়াও একাঁঠু বোকাত পোত গৈ আছে ঘৰ-বিদ্যালয়- পথকে ধৰি বিভিন্ন অঞ্চল। এনে দুৰ্যোগপূৰ্ণ অৱস্থাৰ পৰা ৰাইজক উদ্ধাৰৰ বাবে পৰিকল্পনা প্ৰস্তুত কৰি তুলিছে চৰকাৰে। বানাক্ৰান্তসকলকলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা- নতুন ৰূপত সজাই তোলা হ'ব উজনিৰ ৪ জিলা। লোকসেৱা ভৱনত ৪ জিলাৰ আন্তঃগাঁথনি উন্নয়নক লৈ বিস্তৃত তথ্য সদৰী কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- বানাক্ৰান্তক আমি বিভিন্ন ধৰণে সহায় কৰাৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছোঁ। এইক্ষেত্ৰত চলি আছে বহু চিন্তা। মই নেতিবাচক চিন্তাৰে কেতিয়াও পিছপৰি নাযাওঁ। প্ৰতিটো দুৰ্যোগক আমি সুযোগলৈ ৰূপান্তৰ কৰাৰ বাবে আঁচনি আৰম্ভ কৰিছোঁ। শিৱসাগৰ-চৰাইদেউত বহু নোহোৱা কাম এই বানৰ পিছত সম্পূৰ্ণ হৈ উঠিব। অহা ২-৩ মাহৰ পিছত শিৱসাগৰ-চৰাইদেউ জিলা চৰকাৰে আগতকৈ বেছি ধুনীয়াকৈ সজাই তুলিব। উল্লেখ্য যে দুৰ্যোগে সৃষ্টি কৰা প্ৰত্যাহ্বান নেওচিবলৈ ৰাজ্য চৰকাৰে ভাগে ভাগে প্ৰস্তুত কৰিছে বিশেষ পৰিকল্পনা। মুখ্যমন্ত্ৰী [ শৰ্মাই কয়- ৰাজ্য চৰকাৰে ইতিমধ্যে যি ৰপ্ত হাজাৰ টকা সাহায্য হিচাপে ঘোষণা কৰা হৈছিল, সেই ধনৰাশি অহা (দহ পৃষ্ঠাত চাওক)

# বানত ক্ষতিগ্ৰস্ত বাহনৰ দিয়া হ'ব ইন্সুৰেঞ্চঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- উজনিৰ ৪ জিলাৰ শেহতীয়া বানত যিসমূহ বাহন নষ্ট হৈছে, সেই বাহনসমূহৰ বিপৰীতে ইন্সুৰেঞ্চ দিয়াৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব ৰাজ্য চৰকাৰে। ৰাজ্যিক কেবিনেটে এই সন্দৰ্ভত এক সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত কয়- বানত আক্ৰান্ত ৪ জিলাৰ বহু লোকৰ চাৰিচকীয়া, দুচকীয়া বাহনৰ ব্যাপক ক্ষতি হৈছে। অহা ৫ আগষ্টত ৰাজ্য চৰকাৰে ( নপৃষ্ঠাত চাওক)

# অসম সংকুচিত জৈৱ গেছ নীতি-২০২৬ত অনুমোদন ৰাজ্যিক কেবিনেটৰ



ৰঙিলী বাৰ্ত্তাসেৱা- শুকুৰবাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত দিছপুৰৰ লোকসেৱা ভৱনত ৰাজ্যিক কেবিনেট বৈঠক অনুষ্ঠিত হয়। এই ৰাজ্যিক কেবিনেটে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিলে। বৈঠকৰ পাছতে সংবাদমেলযোগে কেবিনেটৰ সিদ্ধান্তসমূহ সদৰী কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই । কেবিনেটৰ সিদ্ধান্ত সদৰী কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰা অনুসৰি কেবিনেটে ৰাজ্যখনৰ জৈৱিক আৱৰ্জনাক স্বচ্ছ শক্তিলৈ ৰূপান্তৰ কৰাৰ লক্ষ্যৰে প্ৰস্তুত কৰা এক বিস্তৃত নীতি হিচাপে ৰাষ্ট্ৰীয় ম'ডেল ৰাজ্যিক সংকুচিত জৈৱ গেছ (চিবিজি) নীতিৰ সৈতে সামঞ্জস্য ৰাখি প্ৰস্তুত কৰা অসম সংকুচিত জৈৱ গেছ নীতি চঞ্চচ্ছত অনুমোদন জনায়। উদ্যোগ আৰু বাণিজ্য আয়ুক্তালয় এই নীতিৰ ৰাজ্যিক ন'ডেল সংস্থা হিচাপে দায়িত্ব সম্পাদন কৰিব। আয়ুক্তালয়ে এই নীতি অধিসূচিত কৰাৰ লগতে নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত প্ৰকল্পসমূহ ৰূপায়ণৰ বাবে ছিংগল উইণ্ড' প'ৰ্টেল পৰিচালনা কৰিব। এই নীতিত সামৰি লোৱা সুবিধা অনুসৰি- স্থাপন কৰা ( নপৃষ্ঠাত চাওক)


# প্ৰধানমন্ত্ৰীৰ বানাক্ৰান্ত অঞ্চল ভ্ৰমণৰ চৰ্চাক লৈ মুখ্যমন্ত্ৰীৰ প্ৰতিক্ৰিয়া

ৰঙিলী বাৰ্ত্তাসেৱা- শুকুৰবাৰে দিছপুৰত কেবিনেট বৈঠকৰ পাছত সম্বোধন কৰা সংবাদমেলত উজনিৰ চাৰি জিলাৰ বান পৰিস্থিতিৰ বুজ ল'বলৈ প্ৰধানমন্ত্ৰী নহাৰ প্ৰসংগত মন্তব্য প্ৰকাশ কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। বিভিন্ন দল তথা ছাত্ৰ সংগঠনে প্ৰধানমন্ত্ৰী অসমলৈ নহাক লৈ ব্যক্ত কৰা প্ৰতিক্ৰিয়া সন্দৰ্ভত সংবাদ মাধ্যমক মুখ্যমন্ত্ৰীয়ে কয়, বিতৰ্ক কৰিব পাৰে। বৃহস্পতিবাৰে ৰাজ্যপাল যোৱাৰ পাছত বহুলোকে সমালোচনা কৰিছে যে ডিচি ৰাজ্যপালৰ লগত ব্যস্ত হৈ থাকিবলগীয়া হৈছে। এইখিনি সময়ত হাইপ্ৰফাইল ভ্ৰমণৰ বিপৰীতে প্ৰধানমন্ত্ৰীয়ে আমাক সকলো প্ৰকাৰে সহায় কৰি আছে। তেওঁ কয়, প্ৰধানমন্ত্ৰীয়ে মোক সাহস আৰু শক্তি প্ৰদান কৰিছে, বানত সকলোধৰণৰ সহায় আগবঢ়াবলৈ। আমি অবিৰতভাৱে প্ৰধানমন্ত্ৰীৰ সংযোগত আছোঁ। এইখিনি সময়ত প্ৰধানমন্ত্ৰী আহিলে সাহায্য প্ৰক্ৰিয়াত সহায় হ'ব জানো? মই নিজেই সাত-আঠদিন ধৰি যোৱা নাই। মই গ'লেও বহু লোক ব্যস্ত হৈ পৰিব। ফলত সমালোচনা কৰিব। (দহ পৃষ্ঠাত চাওক)

# ৩৭ লাখৰো অধিক মহিলাই

টকা প্ৰদান কৰা হৈছিল। আমাৰ চৰকাৰে আৰম্ভ কৰা অৰুণোদয় বৰ্তমান কেৱল এখন জনকল্যাণমূলক আঁচনি হৈ থকা নাই। পৰিয়ালসমূহক আৰ্থিকভাৱে শক্তিশালী কৰাৰ লগতে এক নিৰ্ভৰযোগ্য আৰ্থ-সামাজিক সুৰক্ষা ব্যৱস্থালৈ ৰূপান্তৰ হৈছে। এতিয়াৰ পৰা প্ৰতিমাহে ৩৭ হাজাৰ মহিলাই নিয়মিতভাৱে এই আঁচনিৰ ধন লাভ কৰিব। তেওঁ লগতে কয়, শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ অৰুণোদয় আঁচনিৰ অন্তৰ্ভুক্ত ৪ লাখ মহিলালৈ ২, ৫০০ টকাকৈ আৰু বাকী জিলাৰ মহিলাসকললৈ ১১০০ টকাকৈ দিয়া হ'ব। বাকী জিলাৰ মহিলাসকলৰ পৰা ১৫০ টকাকৈ কৰ্তন কৰি বানপীড়িত জিলা চাৰিখনৰ অৰুণোদয় আঁচনিৰ অন্তৰ্ভুক্ত মহিলাসকলক ২, ৫০০ টকাকৈ প্ৰদান কৰা হৈছে। অৰুণোদয় আঁচনি যাতে কেৱল প্ৰকৃত হিতাধিকাৰীয়ে লাভ কৰে তাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, আমি হিতাধিকাৰীৰ সুবিধা আৰু পচন্দক অগ্ৰাধিকাৰ প্ৰদান কৰি অৰুণোদয়ৰ সমগ্ৰ ব্যৱস্থাটোক অধিক শক্তিশালী কৰিছো। কেৱল প্ৰকৃত হিতাধিকাৰীয়ে যাতে এই সুবিধা লাভ কৰে তাৰ বাবে আমি আধাৰভিত্তিক হিতাধিকাৰী ব্যৱস্থা প্ৰৱৰ্তন কৰিছো। প্ৰতিটো বিধানসভা সমষ্টিত বিশেষ অৰুণোদয় সাৰথি নিয়োজিত কৰা হ'ব। যিয়ে হিতাধিকাৰীসকলক নামভৰ্তি, অভিযোগ নিষ্পত্তি আৰু প্ৰয়োজনীয় সকলো ধৰণৰ সহায় আগবঢ়াব। হিতাধিকাৰীলৈ বিশেষ আহ্বান জনাই মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, হিতাধিকাৰীসকলে বছৰি লাভ কৰা অৰুণোদয়ৰ প্ৰাপ্য ধনৰ বিপৰীতে সুদবিহীন ক্ষুদ্ৰ ঋণ লাভ কৰিব পাৰিব। বৰ্তমান বছৰি সৰ্বাধিক সুদবিহীন ১৫, ০০০ পৰ্যন্ত ঋণ ল'ব পাৰিব। ঋণ পৰিশোধ ভৱিষ্যতৰ মাহিলি অৰুণোদয়ৰ সহায়ৰ পৰা স্বয়ংক্ৰিয়ভাৱে সমন্বিত কৰা হ'ব। ইচ্ছুকসকলে বেংকৰ জৰিয়তেও ঋণ লাভ কৰিব পাৰিব আৰু সেই ঋণৰ কিস্তিও সহজে তেওঁলোকৰ মাহিলি অৰুণোদয়ৰ সহায়ৰ পৰা সমন্বিত কৰা হ'ব। অনুষ্ঠানত বিত্ত বিভাগৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱায়ো ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বিধায়ক দিল্লুৰঞ্জন শৰ্মা, প্ৰদ্যুৎ বৰদলৈ আৰু বিজয় গুপ্তা, গুৱাহাটী পৌৰনিগমৰ মেয়ৰ মৃগেন শৰণীয়া, কেইবাগৰাকীও জ্যেষ্ঠ চৰকাৰী বিষয়া আৰু বহুসংখ্যক হিতাধিকাৰী উপস্থিত থাকে।

# ৬ মাহলৈ ঋণৰ কোনো কিস্তি ঘূৰাই দিব নালাগেঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্তাসেৱা- পুনৰ এবাৰ ফেচবুক লাইভৰ জৰিয়তে ৰাজ্যবাসীক সম্বোধন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। উজনিৰ বানাক্ৰান্ত চাৰি জিলা ক্ৰমে শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ বানপীড়িতলৈ মুখ্যমন্ত্ৰী ড°হিমন্ত বিশ্ব শৰ্মাই প্ৰদান কৰিলে আন এক বিশেষ সকাহ। লাইভটোৰ প্ৰথমতে মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ বান পৰিস্থিতি সম্পৰ্কে শেহতীয়া তথ্যসমূহ প্ৰকাশ কৰে। সেই অনুসৰি, শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ বানত ১৯টা ৰাজহ চক্ৰৰ ১, ১৩১খন গাঁও বানত প্লাৱিত হৈছে। ৯, ৯৬, ০৬৬ গৰাকী লোক বানৰ দ্বাৰা প্ৰভাৱিত হৈছে। চৰকাৰে ১৮৫টা সাহায্য শিবিৰ পৰিচালনা কৰিছে আৰু বৰ্তমানেও ৬৭, ৬৯৭ গৰাকী ব্যক্তি এই মুহূৰ্তলৈকে সাহায্য শিবিৰত আশ্ৰয় গ্ৰহণ কৰি আছে। উল্লেখ্য যে বানে সৰ্বস্বান্ত কৰা এই চাৰি জিলাৰ বহু লোকে এতিয়া সন্মুখীন হৈছে বেংকৰ ঋণক লৈ। আৰ্থিকভাৱে ভাগি পৰা এই পৰিয়ালসমূহৰ বেংকৰ ঋণ ৰেহাই দিয়াৰ ক্ষেত্ৰত উঠি থকা দাবীৰ সময়তে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঋণগ্ৰহণকাৰী প্ৰতিগৰাকী ব্যক্তিলৈ বিশেষ সকাহ প্ৰদান কৰি ঘোষণা কৰে যে বানাক্ৰান্ত জিলাকেইখনত যিসকল লোকৰ গৃহ, শিক্ষা আৰু বাহনৰ ঋণ আছে, তেওঁলোকে অহা ছমাহলৈ ঘূৰাই দিব নালাগে ঋণৰ কিস্তি। ফেচবুক লাইভযোগে এই কথা ঘোষণা কৰাৰ লগতে মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াকো উল্লেখ কৰে যে বানত ক্ষতিগ্ৰস্ত প্ৰতিজন ক্ষুদ্ৰ ব্যৱসায়িকো কৰা হ'ব বিশেষ সহায়। যিসকল ক্ষুদ্ৰ ব্যৱসায়ীৰ বেংকৰ ঋণ আছে, তেনে ব্যৱসায়িক পুনৰ বেংকে অতিৰিক্তভাৱে প্ৰদান কৰিব ১০ হাজাৰ টকাৰ ঋণ। উল্লেখ্য যে চাৰি জিলাৰ বন্যাক্ৰান্তৰ বেংক ঋণক লৈ মুখ্যমন্ত্ৰীৰ উদ্যোগত বিশেষ ৰাজ্যিক বেংকাৰ্ছ কমিটীৰ সৈতে এক বৈঠক অনুষ্ঠিত হৈছিল। এই বৈঠকতে বন্যাক্ৰান্ত লোকসকলক বেংকৰ ঋণৰ ক্ষেত্ৰত কিদৰে সকাহ দিব পাৰি, এই সন্দৰ্ভত গ্ৰহণ কৰা হয় সিদ্ধান্ত। ফেচবুক লাইভযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই এই কথা অৱগত কৰি উল্লেখ কৰে যে গৃহ, শিক্ষা, বাহন ঋণৰ লগতে কৃষি ঋণ আৰু আত্মসহায়ক গোটে লোৱা বেংকৰ ঋণৰ ক্ষেত্ৰতো সকাহ প্ৰদান কৰা হৈছে। সেই অনুসৰি সেই ঋণ লাভ কৰাসকলে অহা ছমাহলৈ ঋণৰ কোনো কিস্তি ঘূৰাই দিব নালাগে আৰু ছমাহৰ পিছতো এবছৰ বা দুবছৰলৈ ঋণ ঘূৰাই দিয়াৰ ম্যাদ বৃদ্ধি কৰা হৈছে। ফিছাৰী, পল্ট্ৰী আৰু ডেইৰী ফাৰ্মৰ ঋণৰ ক্ষেত্ৰতো ছমাহলৈ কিস্তি ঘূৰাই দিব নালাগে আৰু ঋণ ওভতাই দিয়াৰ সময়সীমা দুবছৰলৈ বৃদ্ধি কৰা হয়। একেদৰে এমএছএমইৰ ঋণৰ ক্ষেত্ৰতো একেই ধৰণৰ সকাহেৰে ছমাহলৈ কিস্তি ঘূৰাই দিব নালাগে লগতে ঋণ ঘূৰাই দিয়াৰ সময়সীমা তিনি বছৰৰ পৰা সাত বছৰলৈ বৃদ্ধি কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে বন্যাক্ৰান্তৰ ঋণ সন্দৰ্ভত ইতিমধ্যে কেন্দ্ৰীয় বিত্ত মন্ত্ৰীৰ সৈতে বিস্তৃত আলোচনা হৈছে আৰু এইক্ষেত্ৰত সবিশেষ উল্লেখ কৰা হৈছে। যোৰহাট, শিৱসাগৰ জিলাত বৰ্তমান বেংকৰ ঋণৰ পৰিমাণ হৈছে ১১, ৪০০ কোটি টকা। অৱশ্যে ঋণ থকা লোকসকলৰ সঁচাকৈ ক্ষতি হৈছে নে নাই এই দিশটো বেংকে পৰীক্ষা কৰিব। এই আঁচনি কেৱল

( দহ পৃষ্ঠাত চাওক)

# বানপীড়িত জিলালৈ বিনামূলীয়া পাঠ্যপুথি প্ৰেৰণ




ৰঙিলী বাৰ্তাসেৱা- উজনি অসমৰ ছখন জিলা শেহতীয়া বানত বিস্তৰ ক্ষতিৰ সন্মুখীন হৈছে। এই বানত শিক্ষাৰ্থীসকলো ব্যাপক ক্ষতিৰ সন্মুখীন হৈছে। বিশেষকৈ লাখ লাখ শিক্ষাৰ্থীৰ কিতাপ-বহী সকলো নষ্ট হৈ গৈছে। যাৰ বাবে চৰকাৰে বান প্ৰভাৱিত জিলাসমূহৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিনামূলীয়া পাঠ্যপুথি যোগানৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। সেই সিদ্ধান্ত অনুসৰি বানাক্ৰান্ত ৪খন জিলাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে শিক্ষা বিভাগে প্ৰেৰণ কৰিলে বিনামূলীয়া পাঠ্যপুথি। গুৱাহাটীৰ পাঠ্যপুথি প্ৰণয়ন নিগমৰ বোন্দাস্থিত গুদামৰ পৰা তিনিখন জিলালৈ এই পাঠ্যপুথিসমূহ প্ৰেৰণ কৰা হয়। বৃহস্পতিবাৰে পুৱাৰ ভাগতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে পাঠ্যপুথি কঢ়িয়াই নিয়া বাহনৰ ফ্লেগ অফ কৰে। সংবাদ মাধ্যমৰ আগত এই সন্দৰ্ভত শিক্ষামন্ত্ৰী ডাঃ পেগুৱে কয়- বানাক্ৰান্ত এই তিনিখন জিলাত ডেৰ লাখতকৈ অধিক ছাত্ৰ-ছাত্ৰী আছে। জিলা প্ৰশাসনৰ পৰা পোৱা তথ্য অনুসৰি ক্ষতিগ্ৰস্ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ১.১২ লাখ। ইয়াৰ বাবে ৮ লাখ ৮৯ হাজাৰ পাঠ্যপুথিৰ প্ৰয়োজন হ'ব। আৱশ্যক হোৱা এই পাঠ্যপুথিৰ ১৫ শতাংশ পাঠ্যপুথি ১ লাখ ৬১ হাজাৰ তিনিখন জিলাৰ


( নপৃষ্ঠাত চাওক)

# বানত মৃত্যু হোৱা লোকৰ পৰিয়ালক ৯ লাখকৈ টকাৰ চেক

ৰঙিলী বাৰ্তাসেৱা- শেহতীয়া প্ৰলয়ংকৰী বানত মৃত্যু হোৱা লোকৰ পৰিয়ালক চৰকাৰে ঘোষণা কৰা সাহায্য বিতৰণ প্ৰক্ৰিয়া আৰম্ভ কৰিছে ৰাজ্য চৰকাৰ-জিলা প্ৰশাসনে। শিৱসাগৰত বানত মৃত্যু হোৱাৰ লোকৰ পৰিয়ালৰ হাতত চৰকাৰে তুলি দিলে ৯ লাখ টকাৰ সাহায্যৰ চেক। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিপূৰ্বে কৰা ঘোষণা অনুসৰি এনে পৰিয়ালসমূহে ৯ লাখ টকাকৈ লাভ কৰিব। ইয়াৰে ৪ লাখ টকা চৰকাৰী অনুদান আৰু ৫ লাখ টকা মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ। জিলা আয়ুক্ত মৃদুল যাদৱে জানিবলৈ দিয়া মতে শিৱসাগৰত মুঠ ৩৪জন লোকে সাম্প্ৰতিক বানত প্ৰাণ হেৰুৱাইছে। ইয়াৰে ৩০জন মৃতকৰ পৰিয়ালৰ প্ৰত্যেককে ৯ লাখ টকাৰ চেক দিয়া হৈছে। বাকীকেইটা পৰিয়ালকো ৪৮ ঘণ্টাৰ ভিতৰত সম পৰিমাণৰ ধনৰ চেক প্ৰদান কৰা হ'ব। এমাহ পিছতে নিৰুদ্দিষ্ট লোকসকলৰ পৰিয়ালেও এই সম পৰিমাণৰ অনুদান লাভ কৰিব। আনহাতে ক্ষতিগ্ৰস্তৰ ছাৰ্ভেৰ বাবে প্ৰতিখন গাঁৱতে গঠন কৰা হৈছে একোটাকৈ দল। শিৱসাগৰ পৌৰসভাত ১৪টা, শিৱসাগৰ ৰাজহ চক্ৰত ১৩১টা, ডিমৌ

( নপৃষ্ঠাত চাওক)

# ডিব্ৰুগড় অভিযাত্ৰী আত্মসহায়ক গোটৰ ১০ গৰাকী বয়ন শিল্পীয়ে তাঁতশালৰ জৰিয়তে স্বাৱলম্বী



ৰঙিলী বাৰ্তাসেৱা- " অভিযাত্ৰী আত্মসহায়ক গোট "নামৰ ডিব্ৰুগড়ৰ এটি স্থানীয় আত্মসহায়ক গোটৰ উদ্যোগত কেইখনমান তাঁতশালৰ জৰিয়তে কৰ্মৰ পাতনি মেলা মহিলাসকলে স্বাৱলম্বিতাৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰি এতিয়া এক আদৰ্শ হৈ পৰিছে। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, ডিব্ৰুগড়ৰ উদ্যোগত ২০১১ বৰ্ষত মোহনাঘাটস্থিত নগাখেলীয়া গাঁৱৰ ১০ গৰাকী মহিলাই একগোট হৈ আত্মসহায়ক গোটৰ জৰিয়তে স্থাপন কৰিছিল " অভিযাত্ৰী "নামৰ এটা ক্ষুদ্ৰ বস্ত্ৰ উদ্যোগ। এই গোটটোৰ দ্বাৰাই সপোনে পোখা মেলিছিল মহিলাসকল স্বাৱলম্বী হোৱাৰ বাট। এতিয়া এই ক্ষুদ্ৰ বয়ন উদ্যোগৰ জৰিয়তে মহিলাসকলে মুকলি কৰিছে অৰ্থনৈতিক উত্তৰণৰ দিশে এখোজ। গাঁওখনৰ উদ্যমী মহিলা সবিতা দত্তৰ নেতৃত্বত গঠিত আত্মসহায়ক গোটৰ পৰাই আৰম্ভ কৰা এই যাত্ৰাই বৰ্তমান পূৰ্ণতা লাভ কৰিছে। মহিলাসকলে প্ৰস্তুত কৰি উলিয়াইছে গামোচা, চেলেং চাদৰ তথা বহু থলুৱা বস্ত্ৰ। প্ৰস্তুত কৰি উলিয়াইছে ৰুমাল, টঙালি, চোফা বেক, পৰ্দা, এৰি জেকেট, ষ্টলৰ লগতে বিভিন্ন জনগোষ্ঠীয় সাজপাৰ আদি। উল্লেখ্য যে সবিতা দত্তই শতৰূপা চিল্ক হাউচ নামৰ এই আদৰ্শনীয় কামৰ বাবে সংশ্লিষ্ট বিভাগৰ ফালৰ পৰা বঁটা পাবলৈও সক্ষম হোৱাৰ লগতে- ডিব্ৰুগড় জিলা


( নপৃষ্ঠাত চাওক)

# বংশৰৰ বিশ্বজিৎ বৈশ্যক "নৃত্যম গন্ধৰ্ব সন্মান-২০২৬" প্ৰদান




ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটী কাহিলীপাৰাস্থিত জ্যেতিচিত্ৰবন ফিল্ম ষ্টুডিওত ২৭ জুলাই ত "ৰিডম ইভেন এণ্ড এন্টাৰটেইনমেন্ট প্ৰায়ভেট লিমিটেডে" বিভিন্ন প্ৰতিযোগিতাৰে আয়োজন কৰা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৩০ নং হাজো-শুৱালকুছি সমষ্টিৰ অন্তৰ্গত বংশৰৰ উদীয়মান অভিনেতা তথা জনপ্ৰিয় নৃত্য কৰিঅ'গ্ৰাফাৰ বিশ্বজিৎ বৈশ্যক "নৃত্যম গন্ধৰ্ব সন্মান-২০২৬" প্ৰদান কৰা হয়। অনুষ্ঠানত বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি দৰ্শক ৰাইজক আপ্লুত কৰে। বিশ্বজিৎ বৈশ্যই বিভিন্ন সময়ত বিভিন্ন সন্মানেৰে সন্মানিত হৈ বংশৰ অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। তেওঁৰ তত্ত্বাৱধানত প্ৰশিক্ষণ লোৱা ছাত্ৰ ছাত্ৰীয়ে ইতিমধ্যেই আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়ত পুৰস্কাৰ বুটলিবলৈ সক্ষম হৈছে। বিশ্বজিৎ ৰ সফলতাৰ বাবে বংশৰ অঞ্চলত এক সাংস্কৃতিক পৰিৱেশৰ সৃষ্টি হৈছে।

# লোকসভাত গৃহীত প্ৰশ্নকাকত ফাদিল বিৰোধী বিধেয়ক



অধিৱেশনৰ সময়ত বিৰোধী দলৰ সদস্যসকলে প্ৰতিবাদ আৰু শ্লোগান দিয়াৰ মাজতে বিধেয়কখনত অনুমোদন জনায়।নীট কাণ্ডক লৈ ছাত্ৰ-ছাত্ৰীসকলৰ আন্দোলনৰ মাজতেই প্ৰশ্নকাকত ফাদিলৰ প্ৰৱণতা ৰোধ কৰাৰ বাবে অধিক কঠোৰ আইন অনাৰ কথা ঘোষণা কৰিছিল

ৰঙিলী বাৰ্ত্তাসেৱা- পৰীক্ষাৰ কাকত ফাদিল আৰু সংগঠিত পৰীক্ষাৰ জালিয়াতি অধিক কঠোৰভাৱে দমন কৰাৰ লক্ষ্যৰে বুধবাৰে লোকসভাই ‘পাব্লিক এগজামিনেচন (প্ৰিভেনচন অৱ আনফেয়াৰ মিন্দু) এক্ট-২০২৪’ সংশোধনী বিধেয়ক ধ্বনি ভোটৰ জৰিয়তে গৃহীত কৰে।সংসদৰ বৰ্ষাকালীন প্ৰধানমন্ত্ৰী মোদীয়ে। প্ৰধানমন্ত্ৰীয়ে কৰা ঘোষণা অনুসৰি, ২৭ জুলাই সোমবাৰে এই বিধেয়কখন লোকসভাত উত্থাপন কৰে মন্ত্ৰী জিতেন্দ্ৰ সিঙে।মঙলবাৰ আৰু বুধবাৰ দুয়োদিনেই লোকসভাত বিধেয়কখনক লৈ আলোচনা হয়।বিধেয়কখনক লৈ বিৰোধী পক্ষই বিৰোধিতা প্ৰদৰ্শন কৰিলেও আলোচনাৰ পিছত ধ্বনি ভোটত গৃহীত কৰা হয় বিধেয়কখন।ধ্বনিভোট অনুষ্ঠিত হোৱাৰ পূৰ্বেই একেলগে সদন ত্যাগ কৰে বিৰোধী সাংসদসকলে। বিধেয়ক গৃহীত হোৱাৰ পিছত বৃহস্পতিবাৰে পুৱা ৰ বজা পৰ্যন্ত লোকসভাৰ অধিৱেশন স্থগিত ৰখাৰ কথা ঘোষণা কৰে অধ্যক্ষ ওম বিৰলাই। বুধবাৰে এই বিধেয়কখনক লৈ চলা আলোচনাৰ সময়ত উত্তপ্ত হৈ উঠে সংসদ। লোকসভাত বিৰোধী দলপতি ৰাহুল গান্ধীয়ে দাবী কৰে যে দিল্লীত প্ৰতিবাদ সাব্যস্ত কৰা ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আৰক্ষীৰ আচৰণক লৈ বিবৃতি দিব লাগিব কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। কিন্তু লোকসভাত সেই সময়ত উপস্থিতেই নাছিল গৃহমন্ত্ৰী শ্বাহ। ৰাহুলৰ এই মন্তব্যৰ পিছত লোকসভাত ভোটগ্ৰহণ আৰম্ভ হয়। ধ্বনিভোটৰ জৰিয়তে সিদ্ধান্ত গ্ৰহণৰ মাজতেই বিৰোধী সাংসদসকলে সদন কক্ষ ত্যাগ কৰে। অৱশেষত, বিধেয়কখন গৃহীত হয়। কিছুদিনৰ ভিতৰত এই বিধেয়কখন উত্থাপন কৰা হ’ব ৰাজ্যসভাত।মঙলবাৰে প্ৰশ্নকাকত ফাদিলবিৰোধী সংশোধনী বিধেয়কখনক লৈ আলোচনাত যোগ দি লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে অভিযোগ কৰে যে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ নিৰ্দেশতেই আন্দোলনকাৰী ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত গুলী চলোৱা হৈছে। তেওঁৰ এই অভিযোগৰ পিছত লোকসভাত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। শাসক পক্ষৰ তৰফৰ পৰা দাবী কৰা হয় যে ৰাহুল গান্ধীয়ে মিছা অভিযোগ তোলে। ৰাহুল গান্ধীয়ে ক্ষমা খুজিব লাগিব বুলিও দাবী তোলে।

# ফোনযোগে পুনৰ বান পৰিস্থিতিৰ বুজ ল’লে গৃহমন্ত্ৰী অমিত শ্বাহে



ৰঙিলী বাৰ্ত্তাসেৱা- ফোনযোগে পুনৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৰা ৰাজ্যৰ সাম্প্ৰতি বান পৰিস্থিতি তথা সাহায্য-উদ্ধাৰ অভিযানৰ বিষয়ে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বুজ লয়। বাৰ্তালাপৰ সময়ছোৱাত কেন্দ্ৰীয় গৃহমন্ত্ৰী শাহে সাহায্য, পুনৰুদ্ধাৰ আৰু পুনঃনিৰ্মাণৰ ক্ষেত্ৰত প্ৰয়োজন অনুসৰি কেন্দ্ৰৰ পৰা সকলোধৰণৰ সহযোগিতা অব্যাহত ৰখাৰ প্ৰতিশ্ৰুতি দিয়ে।এই বিষয়ে সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই সদৰী কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে ইয়াৰ পূৰ্বে ২৩ জুলাইত টেলিফোনযোগে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৰা ৰাজ্যৰ বান পৰিস্থিতিৰ বুজ লৈছিল । সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে পুনৰ অসমৰ বান পৰিস্থিতি আৰু চলিত সাহায্য-উদ্ধাৰ অভিযানৰ ফোনযোগে বুজ লয়। তেওঁ সকলো

# বানবিধ্বস্তলৈ ১৬ কোটিৰ সাহায্য লৈ উজনিলৈ ৰাওনা বিজেপিৰ প্ৰতিনিধি দল



ৰঙিলী বাৰ্ত্তাসেৱা- উজনিৰ তিনিখন জিলাত বানে সৃষ্টি কৰা ভয়াৱহ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যিক বিজেপিয়ে বুধবাৰৰ পৰা ব্যাপক হাৰত বান সাহায্য অভিযান আৰম্ভ কৰিছে । যোৱা ১৯ জুলাইত উজনি অসমৰ যোৰহাট, শিৱসাগৰ, চৰাইদেউ জিলাত সৃষ্টি হোৱা মহাপ্ৰলয়ত বিভিন্ন অঞ্চল ক্ষতিগ্ৰস্ত হয় । ফলত বহুজনৰ মৃত্যুৰ লগতে লাখ লোক ক্ষতিগ্ৰস্ত হৈছে।বিশেষকৈ শিৱসাগৰ আৰু চৰাইদেউ জিলাত এই ক্ষতিৰ পৰিমাণ সৰ্বাধিক।এনে দুৰ্যোগৰ সময়ত বানপীড়িত ৰাইজৰ কাষত থিয় হৈ বহু লোকে সহায়ৰ হাত আগবঢ়াইছে। এনে সহায়ৰ হাত আগবঢ়াবলৈ এইবাৰ আগুৱাই আহিছে ৰাজ্যিক বিজেপি। এই লক্ষ্যৰে বুধবাৰে বিজেপিৰ বশিষ্ঠস্থিত মুখ্য কাৰ্যালয় বাজপেয়ী ভৱনৰ পৰা চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ বন্যাক্ৰান্ত লোকলৈ দলৰ কাৰ্যকৰ্তাসকলে সংগ্ৰহ কৰা ১৬ কোটি টকাৰ বান সাহায্য লৈ এটা প্ৰতিনিধি দল ৰাওনা হয়। এই দুয়োখন জিলাৰ উপৰি যোৰহাট আৰু গোলাঘাট জিলালৈও ৰাজ্যিক বিজেপিয়ে বান সাহায্য আগবঢ়াব।বাজপেয়ী ভৱনৰ পৰা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ লগতে কেইবাগৰাকীও

# ডিব্ৰুগড়ৰ সুৰভি মইনা পাৰিজাতৰ নাজিৰাত বানসাহায্য বিতৰণ



ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড়ৰ অন্যতম অনুষ্ঠান সুৰভি মইনা পাৰিজাতৰ সম্পাদিকা মধুমিতা দত্তৰ নেতৃত্বত আঠ জনীয়া এটি দলে নাজিৰা জিলা পৰিষদৰ অন্তৰ্গত বৰবৰুৱা গাওপঞ্চায়তৰ গড়আলিত থকা বানপিড়ীত ৰাইজৰ মাজত খাদ্য সামগ্ৰী, আঠুঁৱা, সৰু ল’ৰা ছোৱালীৰ কাপোৰ, মেখেলা চাদৰ, শাৰী, বিস্কুত, ধুতী, পাঞ্জাৱী, অ আৰ এচ, ঔষধ পানীৰ বটল আদি বিতৰণ কৰে । নাজিৰা জিলা পৰিষদৰ সভাপতি মামু পাতৰ গগৈ আৰু পঞ্চায়ত কাউন্সিলাৰ হেমা সন্দিকৈয়ে মইনা পাৰিজাতৰ দ’লটিক সহযোগ কৰে ।উক্ত সাহাৰ্য্য কাৰ্যসূচীলৈ হিলিং ছেদ নামৰ অনুষ্ঠানটিও সাহাৰ্য আৰু সহযোগীতা আগবঢ়ায়।

# ১১ দিনৰ অন্তত উদ্ধাৰ মাতৃ টুটুমণি দুৱৰাৰ মৃতদেহ



ৰঙিলী বাৰ্ত্তাসেৱা- ১১ দিনৰ অন্তত উদ্ধাৰ মাতৃ টুটুমণি দুৱৰাৰ মৃতদেহ। প্ৰলয়ংকাৰী বানত ইজনে আনজনক বচাবলৈ গৈ কোবাল সোঁতত উটি গৈছিল শিৱসাগৰৰ চৰাইদেউৰ টুটুমণি দুৱৰাৰ লগতে তেওঁৰ কন্যা আৰু দুই পুত্ৰ। উল্লেখ্য যে চৰাইদেউ জিলাৰ টেঙাপুখুৰী আৰক্ষী চকীৰ অন্তৰ্গত অভয়পুৰীয়া গাঁৱৰ ৰোহিণী দুৱৰাৰ পৰিয়ালটোৰ চাৰিগৰাকী ১৯ জুলাইৰ পৰা সন্ধানহীন হৈ আছিল। সেইদিনা হঠাতে বাঢ়ি অহা বাঢ়নী পানীয়ে অভয়পুৰীয়া গাঁওখনো নিমিষতে বুৰাই পেলোৱাত গাঁওখনৰ আন পৰিয়ালসমূহৰ লগতে ৰোহিণী দুৱৰাৰ পৰিয়ালটোৱেও আশ্ৰয়ৰ বাবে ওখ ঠাই বিচাৰি পথৰ ওপৰলৈ আহিবলৈ লয়। পথৰ ওপৰত উঠিবলৈ লওঁতেই বৈ থকা পানীৰ কোবাল সোঁতত ৰোহিণী দুৱৰাৰ হাতৰ পৰা পত্নী টুটুমণি দুৱৰা আৰু কন্যা বিদিশা দুৱৰা এৰি গৈ পানীৰ কোবাল সোঁতত উটি যায়। ১৯ জুলাইৰ নিশা সাতমান বজাত সংঘটিত এই ঘটনাত ৰোহিণী দুৱৰাৰ দুই পুত্ৰ বিদ্যুৎ দুৱৰা আৰু বিপ্লৱ দুৱৰাই মাতৃ-ভগ্নীক উদ্ধাৰৰ বাবে পানীত নামি বিচাৰিবলৈ যাঁওতেই দুই ভাতৃকো কোবাল সোঁতে উটুৱাই নিয়ে। সেইদিন ধৰি চাৰিজনীয়া পৰিয়ালটোৰ এজনৰো সন্ধান ওলোৱা নাছিল যদিও ২২ জুলাইত তিনিজনৰ মৃতদেহ উদ্ধাৰ হোৱাৰ বিপৰীতে ৰোহিণীৰ পত্নী টুটুমণি দুৱৰাৰ সন্ধান ওলোৱা নাছিল। বুধবাৰে এঘাৰ দিনৰ মূৰত অভয়পুৰীয়া অঞ্চলতেই টুটুমণি দুৱৰাৰ উৰলি যোৱা মৃতদেহ উদ্ধাৰ হয়। উল্লেখ্য যে বানত পৰিয়ালটোৰ ৰোহিণী দুৱৰা আৰু ডাঙৰ বোৱাৰীৰ লগতে এটি কণমানি কথমপি ৰক্ষা পৰে। ইফালে ৰোহিণী দুৱৰাৰ পৰিয়ালটোৰ তিনিজনৰ মৃতদেহ গাঁওখনৰ ক্ষুদ্ৰ চাহ বাগিচাৰ চাহ গছত লাগি থকা অৱস্থাত উদ্ধাৰ হৈছিল। বুধবাৰেও উক্ত স্থানৰ কাষতে টুটুমণি দুৱৰাৰ মৃতদেহ উদ্ধাৰ হয়।

# প্ৰকৃতিৰ ধ্বংস লীলাত মানুহৰ মানবতা বোধ



নমিতা দাস, শুৱালকুছি

এইবাৰৰ বানপানীয়ে প্ৰমাণ কৰিলে অসমৰ সম্পদ বুলি ভবা কেবল প্ৰাকৃতিক সম্পদ, নদী, পাহাৰ তেল চাহপাতেই নহয় অসমৰ মানুহৰ মনবোৰো প্ৰাকৃতিক সম্পদৰ দৰেই চহকী। এই চহকী অসমৰ লোক সকলে কোনো দুৰ্যোগৰ সময়ত যেতিয়া এক লগ হয় তেতিয়া কোনো দুৰ্যোগেই পৰাস্ত কৰিব নোৱাৰে। ইজনে আনজনৰ দুখত সমভাগি হৈ কান্ধ পাতি ঠিয় হৈ এটা পৰিয়াল হৈ পৰে।

মানুহে মানুহৰ বাবে বুলি আকৌ এবাৰ প্ৰমাণ কৰি দিলে কোনো চৰকাৰী সহযোগলৈ বৈ নাথাকি নিজে নিজে প্ৰতিজন লোক ওলাই আহিল। অসমত প্ৰতিবাৰে হৈ থকা বানপানী এইবাৰ যেন অন্য ৰূপ ল'লে হঠাৎ অহা পানীয়ে মানুহ, জীৱ, জন্তু পথাৰ, ঘৰ সকলো মুহূৰ্ততে বুৰাই পেলালে চকুৰ প্ৰচাৰতে সকলো শেষ হৈ গল। প্ৰকৃতিৰ এই ধ্বংস লীলাই মানুহৰ মাজত যে মানবতাৰ অন্য এক চানেকী ইতিহাসৰ পাতত দেখিবলৈ পোৱা যাব সেইটো ধ্ৰুপ। বাঢ়নী পানীৰ বিধ্বংসী বানে উটুৱাই নিয়া মানুহ কেইজন কি ধৰ্মালম্বীৰ সেই কথা বিচাৰ কৰাৰ প্ৰয়োজন বোধ কৰা নাই। কেবল আগুৱাই গৈ সহায় কৰিব লাগে, বচাব লাগে। সেউজ পথাৰখন অন্তহীন জলৰাশীত পৰিণত হৈ হাজাৰ হাজাৰ লোকৰ ঘৰ দুৱাৰ জলমগ্ন হোৱাত ওখ ঠাই বিচাৰি নামঘৰ, ৰাষ্টা, মথাউৰীলৈ ধপলিয়াই আহিব লগা হৈছে। উপায় নাপায় গছত উঠি প্ৰাণৰক্ষা কৰা কণমানী আৰু মহিলা পুৰুষ উভয়ৰ সেই মৰ্মান্তিক মুহূৰ্তবোৰত তেওঁলোকক উদ্ধাৰ কৰাৰ বাবে নিজৰ জীৱনৰ বিপন্নতাৰ কথা একাসৰীয়াকৈ থৈ উদ্ধাৰ কৰিবলৈ আগবাঢ়ি আহিল লোকসকল। পানীৰ কবলত পৰি থকা আৰ্তজনক সহায় কৰিব লাগে এটাই যেন মন্ত্ৰ। দেখুৱাই দিলে আজি মানুহে মানুহৰ বাবে। বান পিড়িত সকলৰ দুখত দুখী হৈ সমগ্ৰ অসমবাসী শোকত ম্ৰিয়মাণ এয়াই *(আঠপৃষ্ঠাত চাওক)*

# মোক এটা পেন্ট দিয়ক



**ববিতা বৰঠাকুৰ,কুৰালগুৰি, গোলাঘাট**

দূৰ - দূৰণিত হুৰ হুৰ শব্দ  
বতৰ গোমা, কিবা এটা অঘটন  
বৰ টিলাত বগীয়ে হেম্বেলিয়াইছে  
আইয়ে হাতুৰীটো লৈ ধপলয়াই গৈছে।  
বৌৰ আকৌ ভাল হোৱাৰ দিন  
ভৰি হাত বেলুন ফুলা দিছে।  
সিটো পাৰত এজাক মানুহে  
চিঞৰি মাতিছে  
কেনেকৈ যাওঁ পেন্ট এটা নিপিন্ধাকৈ  
কেনেকৈ ওলাও বুকুখন নঢকাকৈ  
পেটত কেঁচু-কুমতিয়ে বৰ কৈ কেকাইছে  
কেনেকৈ সামৰো উদং বুকু, উদং উৰু।  
ৰঙা নীলা টোপোলা বোৰে  
চিঞৰি মাতিছে, হাতত আছে  
খৰম যেন একোটা ম'বাইল ফোন  
এফালে বৌৰ হিকটি, আনফালে...  
আইৰ সতে সেয়া আমাৰ  
বগী গাই, আৰু চেউৰী জুনুকা  
ককাই বুলি চাওঁতে মনত পৰিল  
বিহুৰ খুটিত গৰু ম'হ সোপাকে পুতিল  
আপোনালোকে মোক এটা পেন্ট দিয়ক  
মেঠনি মাৰিবলৈ এটুকুৰা কাপোৰ  
আই গ'ল, ককাই গ'ল, বগী গ'ল, ক'লি গ'ল  
বৌজনী পেটৰ উশাহটো ধৰিবলৈ  
পাৰে যদি দলিয়াই দিয়ক  
মোক এটা পেন্ট দিয়ক  
দীঘল ক'লা চুলিৰে গা ঢকা মই  
মই যখিনী নহয় ৰাগিনী ।

# গুৱাহাটীৰ কৃত্ৰিম বানপানীঃ প্ৰাচীন সভ্যতাৰ শিক্ষা আৰু আমাৰ ব্যৰ্থতা



**শচীন্দ্ৰ কুমাৰ দাস, পলাশবাৰী**

অসমৰ প্ৰাণকেন্দ্ৰ তথা উত্তৰ-পূব ভাৰতৰ প্ৰৱেশদ্বাৰ স্বৰূপ গুৱাহাটী মহানগৰী বৰ্তমান সময়ত এক ভয়াৱহ সংকটৰ গৰাহত। বাৰিষা কালত মাত্ৰ আধা ঘণ্টা বা এঘণ্টাৰ এজাক মুষলধাৰ বৰষুণতেই চহৰখনৰ লাইফ-লাইন স্বৰূপ জি.এছ. ৰোড, আৰ.জি. বৰুৱা ৰোড (জু-ৰোড), অনিল নগৰ, নবীন নগৰ আদি অঞ্চলসমূহ সাগৰ সদৃশ হৈ পৰে। এই সমস্যা প্ৰাকৃতিক নহয়- ই সম্পূৰ্ণ মানৱসৃষ্ট আৰু আমাৰ ত্ৰুটিপূৰ্ণ চহৰীকৰণৰ এক কৰুণ প্ৰতিচ্ছবি।

ভৌগোলিকভাৱে গুৱাহাটী এখন বাটি বা বেচিনৰ দৰে অৱস্থিত, যাৰ এফালে শক্তিশালী ব্ৰহ্মপুত্ৰ নদী আৰু বাকী তিনিফালে পাহাৰে ঘেৰি আছে। প্ৰকৃতিয়ে চহৰখনক বানৰ পৰা ৰক্ষা কৰিবলৈ দীপৰ বিল, শিলসাকো বিল, বৰচলা বিল আদিৰ দৰে প্ৰাকৃতিক জলাশয় আৰু ভৰলু, বাহিনী, বশিষ্ঠ আদিৰ দৰে প্ৰাকৃতিক নদী উপহাৰ দিছিল। এইবোৰে অতিৰিক্ত বৰষুণৰ পানী ধৰি ৰখা 'স্পঞ্জ' আৰু পানী নিষ্কাশনৰ স্বাভাৱিক মাধ্যম হিচাপে কাম কৰিছিল। কিন্তু দুৰ্ভাগ্যবশতঃ, অনিয়ন্ত্ৰিত নগৰীকৰণ আৰু ভূমি মাফিয়াৰ কবলত পৰি এই সকলোবোৰ প্ৰাকৃতিক জলাশয় আৰু নদী আজি তীব্ৰ বেদখলৰ বলি হৈছে। পাহাৰ বা ওখ ঠাইৰ পৰা পানী স্বাভাৱিকভাৱে তললৈ নামি অহাৰ যি প্ৰাকৃতিক ঢাল আছিল, সেইবোৰক ভেটি বৰ্তমান যধে-মধে বহুতল অট্টালিকা নিৰ্মাণ কৰা হৈছে। ফলত পানী ওলাই যোৱাৰ স্বাভাৱিক পথসমূহ সম্পূৰ্ণৰূপে অবৰুদ্ধ হৈ পৰিছে।

আজিৰ পৰা প্ৰায় ৫,০০০ বছৰ পূৰ্বৰ প্ৰাচীন সিন্ধু সভ্যতাৰ (হৰপ্পা আৰু মহেঞ্জোদাড়ো) পৰা আজিৰ আধুনিক গুৱাহাটীয়ে ল'বলগীয়া বহুত শিক্ষণীয় দিশ আছিল। সেই প্ৰাচীন কালত কোনো আধুনিক কম্পিউটাৰ মডেলিং, উপগ্ৰহ প্ৰযুক্তি বা চিমেণ্ট-কংক্ৰিটৰ ইমান প্ৰয়োগ নাছিল। তথাপিও তেওঁলোকৰ চহৰসমূহত পোৰা ইটাৰে নিৰ্মিত অতি সুন্দৰ ভূগৰ্ভস্থ নলা ব্যৱস্থা আছিল, যিবোৰ ওপৰৰ পৰা ঢকা আছিল আৰু চাফা কৰিবলৈ নিৰ্দিষ্ট দূৰত্বত 'মেনহোল'ৰ ব্যৱস্থা আছিল। তেওঁলোকে পানীৰ স্বাভাৱিক ঢাল আৰু নিষ্কাশন ব্যৱস্থাক প্ৰথম প্ৰাধান্য দিহে ঘৰ-দুৱাৰ আৰু পথসমূহ সাজিছিল। কিন্তু একবিংশ শতিকাৰ অত্যাধুনিক প্ৰযুক্তি আৰু অভিযান্ত্ৰিক জ্ঞান থকাৰ পিছতো আমাৰ গুৱাহাটী মহানগৰীত কোনো বৈজ্ঞানিক আৰু সংবদ্ধ নলা প্ৰণালী (Integrated Drainage System) গঢ়ি নুঠিল। আমাৰ ইয়াত "প্ৰথমে ঘৰ বা ওখ অট্টালিকা সজা, পিছত নলাৰ কথা চিন্তা কৰা" নীতি চলিছে, যিটো চৰম দুৰ্ভাগ্যজনক।

কেৱল চৰকাৰ বা প্ৰশাসনক দোষ দিলেই এই সমস্যাৰ স্থায়ী সমাধান নহয়, কাৰণ ইয়াত নাগৰিক সমাজৰো এক ডাঙৰ ব্যৰ্থতা লুকাই আছে। একাংশ লোকৰ চৰম অসচেতনতাৰ বাবে প্লাষ্টিকৰ বটল, পলিথিন বেগ আৰু ঘৰুৱা জাবৰ-জোঁথৰ পোনপটীয়াকৈ চহৰৰ নলা-নৰ্দমাত পেলোৱা হয়, যিয়ে পানীৰ সোঁত সম্পূৰ্ণ বন্ধ (Blockage) কৰি দিয়ে। ইয়াৰ উপৰি পাহাৰসমূহ কাটি ধ্বংস কৰাৰ ফলত অহা বোকাই চহৰৰ মূল ড্ৰেইনসমূহ পুতি *(সাতপৃষ্ঠাত চাওক)*

# বিভ্ৰান্তিৰ অন্তহীন বেদনা



**যমুনা দুলু বৈশ্য, শুৱালকুছি**

তুলিকাৰে ৰাঙলী কৰা
হৃদয়ৰ আকোঁৰগোজ
কবলত গুজি দিয়া জীৱন্ত
তেজ-মঙহৰ এখন বাস্তৱ ছবি
মানৱতাৰ স্পন্দনত অৰক্ষয়,
দয়া আৰু ক্ষমাৰ বিষাদগ্ৰস্তৰ
মানুহে মানুহৰ নিষ্ঠুৰ পৰিহাস,
নীতি শিক্ষাৰ পাঠবোৰ
ক'ত হেৰাল।
শিক্ষা থাকিলেও যদি ঈৰ্ষাৰ আশ্ৰয়
লয়, জীৱনৰ সুখটোকে বিচাৰে
দুখৰ ৰাতিৰ হৃদয়ৰ হাহাকাৰবোৰ নুশুনে --!
চৰিত্ৰবোধৰ নীতি জ্ঞান নলয়,
কেনেকৈ কৰিব তেওঁ মানৱতাক সমজ্ঞান।
শিকলিৰে বন্ধা বিশ্বাসবোৰ এদিন হেৰাই নাযাবনে --?
সমাজত বিভেদৰ প্ৰাচীৰ অন্তহীন
যোগ-বিয়োগৰ হিচাববোৰ ---
উকা হৈ পৰে, এবুকু আন্ধাৰ সাৰটি
নিমিষতে সপোনৰ প্ৰতিশ্ৰুতিৰ
থকা-সৰকাকৈ ভাঙে তচ্‌নচ্‌কৈ
পোৱা-নোপোৱাৰ বাটে, বিষাদত,
দুচকুত আঁকে স্বপ্ন ৰূপে --
সমস্যা জৰ্জৰিত, গোপনে বিচাৰে
প্ৰত্যাহ্বান ।

# গুৱাহাটীৰ কৃত্ৰিম

পেলায়, যাৰ ফলত নলাবোৰৰ পানী কঢ়িওৱা ক্ষমতা একেবাৰে হ্ৰাস পায়।

এই জ্বলন্ত সমস্যাৰ পৰা চিৰদিনৰ বাবে পৰিত্ৰাণ পাবলৈ হ'লে মেট্ৰ' চহৰসমূহৰ দৰে এক শক্তিশালী 'ভূগৰ্ভস্থ ড্ৰেইনেজ মাষ্টাৰ প্লেন' জৰুৰীভাৱে কাৰ্যক্ষম কৰিব লাগিব। চিলচাকো আৰু দীপৰ বিলৰ দৰে জলাশয়সমূহ সম্পূৰ্ণ বেদখলমুক্ত কৰি সেইবোৰৰ পানী ধাৰণ ক্ষমতা বৃদ্ধি কৰিব লাগিব। নিৰ্মাণ আইন উলংঘা কৰি পানীৰ সোঁত বন্ধ কৰা অট্টালিকাসমূহৰ বিৰুদ্ধে কঠোৰ আইনী পদক্ষেপ ল'ব লাগিব। একে সময়তে মুকলি ড্ৰেইনত প্লাষ্টিক বা আৱৰ্জনা পেলোৱা লোকৰ বিৰুদ্ধে চিচিটিভিৰ জৰিয়তে নিৰীক্ষণ কৰি গধুৰ বিত্তীয় জৰিমনা বিহাৰ নিয়ম কৰিব লাগে।

চৰকাৰী বিভাগসমূহৰ (GMC, GMDA) দূৰদৰ্শী পৰিকল্পনা, প্ৰাচীন সিন্ধু সভ্যতাৰ দৰে উন্নত অভিযান্ত্ৰিক কৌশলৰ প্ৰয়োগ আৰু সৰ্বোপৰি নাগৰিক সমাজৰ সজাগতা তথা দায়িত্ববোধৰ অবিহনে ঐতিহ্যমণ্ডিত গুৱাহাটী মহানগৰীক এই কৃত্ৰিম বানৰ অভিশাপৰ পৰা মুক্ত কৰা সম্ভৱ নহয়।

# দিবাস্বপ্ন



**পৰিস্মিতা বৰা হাজৰিকা, মাজুলী**

ঘৰৰ পৰা লৰালৰিকৈ ওলাই যোৱা ককায়েকে দেখিও নেদেখাৰ ভাও ধৰাত সচাঁকৈয়ে আচৰিত হ'ল আইনু । এদিন নেদেখিলে থাকিব নোৱাৰা ককায়েকৰ এনে পৰিবৰ্তন দেখি তাই অবাক হৈ সি যোৱাৰ ফালেই চাই থাকিল।

ঃ আইনু, সোমাই আহ, কি হ'ল পদুলী মুৰতে ৰৈ থাকিবি নে?

মাকৰ মাতত তাইৰ ভাৱনাত যতি পৰিল। বেগটো লৈ তাই ঘৰলৈ সোমাই আহিল। মাকৰ মুখত তাই অহাৰ আনন্দ তাই দেখা নাপালে । মাকে যেন কৰিব লগা বাবেহে কামবোৰ কৰিছে । দেউতাকৰ অবিহনে মাকে কণমানি লৰা ছোৱালী দুটা কিমান কষ্টৰে ডাঙৰ কৰিছিল, সা-সম্পত্তিৰ বাবে খুড়াক আৰু বৰদেউতাকে কৰা অত্যাচাৰৰ পিছতো ভাগি নপৰা হাঁহিমুখীয়া মানুহজনীক দেখি তাইৰো চিন্তা দুগুণে বাঢ়িল। ককায়েকে কিবা নকবলগীয়া কথা মাকক কোৱা নাইতো।

ঃ মা, মা... কাপোৰসাজ সলাই তাই পাকঘৰলৈ গ'ল। চাহ বাকিবলৈ লোৱা মাকক তাই পিছফালৰ পৰা সাবটি ধৰিলে। মা, এইবাৰ তুমিও মোৰ সৈতে যাব লাগিব। ৰঞ্জনে আহিবৰ সময়ত বাৰে বাৰে কৈ পঠাইছে তোমাক মোৰ লগত লৈ যাবলৈ। মাকে তাইৰ কথাত মাথোঁ সলাগি গ'ল। তাই ভবাৰ দৰে কোনো উত্তৰ তাই মাকৰ পৰা নাপালে। চাহ কাপ হাতত লৈ তাই মাকৰ পিছে পিছে গৈ আগফালৰ বাৰাণ্ডা পালেগৈ। তাই অহাবুলি খবৰ পাই চুবুৰিয়েই ৰমলা খুৰী আহি ওলাল। তাই বহিবলৈ পীৰা খন আগবঢ়াই দিলে।

ঃ ঘৰৰ খবৰবোৰ পাই আহিলি হবলা ? পিছে জোৱাইক কলি নে নাই কথাবোৰ- ৰমলা খুৰীৰ কথাত তাই আচৰিত হৈ ওচৰ চাপি গ'ল ---


ঃ কি কথা খুৰী ? মায়ে মোক একো কোৱা নাই । কিন্তু মই অনুমান কৰিব পাৰিছোঁ যে মাৰ কিবা এটা হৈছে ... তাই একে উশাহে কৈ গ'ল ।

ঃ কি আচৰিত অ' এই মানুহজনী, এতিয়ালৈকে তোক একো কোৱাই নাই । ইফালে গোটেই গাওঁ বিয়পি পৰিল ।

তাইক এফালৰ পৰা কথাবোৰ কৈ গুচি গ'ল ৰমলা খুৰী। কথাবোৰ শুনি তাই আচৰিত হোৱা নাই । ককায়েকৰ ব্যৱহাৰ দেখি তাই আচৰিত হৈছিল , কিন্তু এতিয়া তাই খং উঠিছে তালৈ । ইমান কষ্টৰে সিহঁতক ডাঙৰ কৰা মূল্য সি কি দিলে । দেউতাকৰ অবিহনে কিমান ত্যাগ *( আঠপৃষ্ঠাত চাওক)*

# দুঃসাহসিক, শিহৰণকাৰী যাত্ৰা পলাশবাৰীৰ পৰা জালুক পাহাম হৈ ঘৰভংগালৈ পাহাৰীয়া ভ্ৰমণ যাত্ৰা

**শৈলেন কুমাৰ,মিৰ্জা**



ব্যস্ততাপূৰ্ণ জীৱনৰ পৰা আঁতৰি কেতিয়াবা মনটোৱে এক পৃথক অনুভৱৰ সান্নিধ্য বিচাৰে। সেই অনুভৱখিনি বুতলিবলৈ মই আৰু প্ৰকৃতি-প্ৰেমী সণ্টি দাদাৰ লগত অলপ ওলাই যোৱাৰ থিৰাং কৰিলো, এনেই আমি দুজনে বন্ধ পালে বিভিন্ন ঠাই ঘূৰিফুৰো, অসমৰ বাহিৰতো বহু ঠাই ঘূৰিছো, কিন্তু ২৬ জুলাই ৰবিবাৰে আমাৰ নিজ সমষ্টিৰ এডোখৰ ঠাইত যোৱাৰ সিদ্ধান্ত কৰিলো। আচৰিত কথাটো হ'ল যে নিজ সমষ্টিৰ সেই ঠাইখিনিত উপস্থিত হৈ আমি কি অনুভৱ কৰিছিলো, সেইখিনি কথা একমাত্ৰ আমিহে উপলব্ধি কৰিব পাৰিছিলো। আবেলি ৩ বজাত মই মোৰ মটৰচাইকেলত সণ্টি দাদাক পিছত বহুৱাই মিৰ্জাৰ পৰা যাত্ৰা আৰম্ভ কৰিলো, আগতে পশ্চিম গুৱাহাটী সমষ্টি আছিল বৰ্তমান নতুনকৈ পলাশবাৰী সমষ্টিৰ অন্তৰ্ভুক্ত প্ৰৰ্যটন স্থল কপিলী পৰা পাহাৰত উঠিবলৈ ল'লো, পাহাৰীয়া পকোৱা একাবেঁকা পথ, দূৰদূৰণিলৈ মানুহৰ নামগোন্ধ নাই। আমি যেন এক গহীন, জয়াল, নীৰৱতাত হে প্ৰৱেশ কৰিছো, বুজাব নোৱাৰা শিহৰণকাৰী অনুভৱ। প্ৰায় আধাঘণ্টা অতিক্ৰম কৰাৰ পাছত ভুতৰ ওপৰত দানৱ পৰা দি, বৰুণ দেৱতাই আমাৰ দুজনৰ ওপৰত দয়াদৃষ্টি নাৰাখি বৰ্ষিত হ'ল। ৰেইনকোট হাতত নাই, তেনেকৈ তিতিবুৰি কিছু সময় গছৰ আশ্ৰয় ল'লো, কিন্তু উপায়বিহীন হৈ বৰষুণত তিতিবুৰি যাত্ৰা পথত আগুৱাই গ'লো, পলম হয় কিন্তু দুৰ্গতি নহয়। দহ মিনিট পথ অতিক্ৰম কৰা পাছত মানুহ আৰু এখন পাহাৰীয়া ক্ষুদ্ৰ গাঁও দেখা পালো ততাতৈয়াকৈ মটৰচাইকেলখন ৰখাই এটা ঘৰত আশ্ৰয় ল'লো। তাত আগৰ পৰাই গাঁওখনৰ কিছু মানুহ উপস্থিত আছিল, আমি উৎকণ্ঠা আঁতৰি মানুহখিনিৰ লগত সহজ হবলৈ কথাবতৰা আৰম্ভ কৰিলো, পাছত গম পালো মানুহখিনিয়ে অসমীয়া বুজি পাই তেওঁলোক হ'ল মিচিং মানুহ, গাঁওখনৰ তথ্য শুধিলোঁ তেওঁলোকে ক'লে আপোনালোক বৰ্তমান অসম মেঘালয় সীমান্তৱৰ্তী পলাশবাৰী সমষ্টিৰ নাৱলিং গাঁৱত

# দেউতাৰ অস্তিত্বঃ সংসাৰৰ আধাৰশিলা

যোৱাখণ্ডৰ পৰা...

প্ৰেম বৈষ্ণৱ,
বিহালী, বিশ্বনাথ



জীৱনৰ বাস্তৱতাৰ মুখামুখি হৈ আমি লাহে লাহে বুজিবলৈ আৰম্ভ কৰোঁ যে, দেউতাৰ প্ৰতিটো নিৰ্বাক মুহূৰ্তৰ অন্তৰালত কিমান যে গধুৰ দায়িত্ববোধ লুকাই থাকে। এজন পিতৃৰ অৱসৰৰ সময়ত তেওঁৰ মনৰ অৱস্থা প্ৰতিজন সন্তানৰ বাবে এক দৰ্শনৰ বিষয়। কৰ্মক্ষেত্ৰৰ পৰা বিদায় লোৱাৰ পাছত তেওঁৰ ব্যস্ততা কমি যায় যদিও সন্তানৰ ভৱিষ্যতৰ চিন্তাই তেওঁক নিৰন্তৰ তাৰিত কৰি থাকে। সমাজৰ চকুত তেওঁ হয়তো এজন অৱসৰপ্ৰাপ্ত ব্যক্তি, কিন্তু আমাৰ পৰিয়ালৰ বাবে তেওঁ আজিও সেই অদম্য সাহসৰ উৎস। তেওঁৰ শৰীৰৰ দুৰ্বলতাৰ মাজতো বিৰাজ কৰা মনৰ শক্তি আমাৰ বাবে এক শিক্ষা। আমাৰ প্ৰতিটো ভুলক শুধৰাই দিয়া তেওঁৰ কঠোৰ শাসনৰ আঁৰত আছিল প্ৰকৃততে আমাক মানুহ কৰি গঢ়াৰ এক ব্যাকুল প্ৰয়াস।

আমি অৱশ্যে প্ৰায়েই পাহৰি যাওঁ যে, দেউতাৰো আশা-আকাংক্ষা আছিল। নিজৰ ব্যক্তিগত সপোনবোৰ জলাঞ্জলি দি তেওঁ যিখন ঘৰ বৰ্তাই ৰাখিলে, সেয়া এক অসাধ্য সাধনৰ দৰে। আমাৰ বাবে তেওঁ সময়ৰ সোঁতত নিজকে সলনি কৰি ল'লে, যাতে আমাৰ পথত কোনো প্ৰতিবন্ধকতা নাথাকে। তেওঁৰ অস্তিত্বই হৈছে আমাৰ শিপা। যেনেকৈ এজোপা গছৰ শিপাই মাটিৰ গভীৰৰ পৰা পুষ্টি সংগ্ৰহ কৰি গছজোপাক আকাশমুখী কৰে, ঠিক তেনেকৈ দেউতাই নিজৰ সমস্ত সামৰ্থ্যৰে আমাক পৃথিৱীৰ বুকুত থিয় হ'বলৈ সাহস যোগায়। তেওঁৰ প্ৰতিটো সন্মতি আৰু প্ৰতিটো অস্বীকাৰৰ মাজত আছিল আমাৰ সুৰক্ষিত ভৱিষ্যতৰ এক সুচিন্তিত পৰিকল্পনা।

এতিয়া দায়িত্ব আমাৰ। যিমান দিন তেওঁ আমাৰ কাষত আছে, সেই প্ৰতিটো পল প্ৰেম আৰু সন্মানৰ পাত্ৰ। অৱসৰৰ পাছৰ সময়খিনি তেওঁৰ বাবে আনন্দৰ কৰি তোলাটো আমাৰ দায়িত্ব। অৰ্থ দিয়াটোৱেই সন্তানৰ কৰ্তব্য নহয়, তেওঁৰ সান্নিধ্যত কিছু সময় কটোৱা আৰু তেওঁৰ কথা মনোযোগেৰে শুনাটোৱেই হৈছে তেওঁৰ বাবে সৰ্বশ্ৰেষ্ঠ উপহাৰ। বৃদ্ধ অৱস্থাত এজন পিতৃয়ে একো নিবিচাৰে, বিচাৰে মাথোঁ সন্তানৰ মৰম আৰু অলপ সমাদৰ। তেওঁৰ অৱদানক কেতিয়াও খৰচি মাৰি শেষ কৰিব নোৱাৰে, কিন্তু তেওঁৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰাটো আমাৰ স্বাভাৱিক ধৰ্ম।

সামৰণিত ইয়াকে ক'ব পাৰি যে, দেউতা আমাৰ জন্মদাতা আৰু আমাৰ জীৱনৰ অঘোষিত পথপ্ৰদৰ্শক। সংসাৰৰ কোনো অংকই তেওঁৰ ত্যাগৰ তুলনা কৰিব নোৱাৰে। এই পৃথিৱীত পিতৃৰ সমান নিঃস্বাৰ্থভাৱে ত্যাগ কৰিব পৰা ব্যক্তি দ্বিতীয়জন নাই। দেউতাৰ সপোনবোৰক সন্মান জনোৱাই হৈছে তেওঁৰ ত্যাগৰ প্ৰতি আমাৰ প্ৰকৃত উপহাৰ। তেওঁৰ অৱদানবোৰক আৱেগৰ মাজেৰে উপলব্ধি কৰিবলৈ আমি শিকিব লাগিব। পিতৃৰ ছাঁয়া আমাৰ মূৰৰ ওপৰত থকালৈকে আমি পৃথিৱীৰ যিকোনো প্ৰত্যাহ্বানৰ সৈতে যুঁজিবলৈ সাজু। তেওঁৰ অস্তিত্বই আমাক জীয়াই থকাৰ অৰ্থ শিকায়। জীৱনৰ শেষ সময়লৈকে তেওঁৰ প্ৰতি আমাৰ শ্ৰদ্ধা অটুট থাকক, এয়াই হওক আমাৰ জীৱনৰ মুলমন্ত্ৰ। দেউতা আছিল, আছে আৰু আমাৰ অস্তিত্বৰ গভীৰত সদায় বিৰাজ কৰিব।

# প্ৰকৃতিৰ ধ্বংস লীলাত মানুহৰ

মানবতাৰ ছবি, সেই ছবি আঁকি দেখুৱালে সমগ্ৰ অসমবাসীয়ে। বৰ্ত্তমান উশৃঙ্খল বুলি ভাবি থকা যুব প্ৰজন্মৰ লোক সকলো বৈ নাথাকিল ওলাই আহিল। তেওঁলোকৰ সহমৰ্মিতা নথকা, ভাতৃত্ববোধ নথকা, দুৰ্বল মানসিকতাৰ বাবে দেশৰ ভবিষ্যত অন্ধকাৰ, বোকাত নৃত্য কৰি সামাজিক দায়বদ্ধতা নুবুজা বুলি ভবা কথা মিছা বুলি প্ৰমাণিত কৰিলে। দিন-ৰাতি এক কৰি ভোক পিয়াহৰ থকা চিন্তা নকৰিলে এজনে আনজনক লৈ যি নিদৰ্শন দেখুৱালে সেই মানবতা বোধে দেখুৱাই দিলে মানুহে মানুহৰ বাবে।

প্ৰমাণিত হল যেএতিয়াও মানুহৰ হৃদয় আছে, সহানুভুতি আছে, সেয়ে অসমৰ চুকে কোনে সোমাই থকা সকলো লোক ওলাই আহিল যোনে যেনেকৈ পাৰে বানাক্ৰান্ত সকলৰ ওচৰলৈ চাউল, দাইল, চাবোন, বিস্কুত, বিশুদ্ধ খোৱাপানী, ঔষধ যেনেকৈ পাৰে তেনেদৰে সহায়ৰ হাত আগবঢ়িলে।

ৰাজনীতি, ভাষা, ধৰ্মকলৈ, সামাজক ভাগ ভাগ কৰি ভাই ভাইৰ মনত হিংসাৰ ভাব ৰোপণ কৰা অসমখনত বানপানীৰ দুৰ্যোগে সকলোকে এক কৰি পেলালে। ঐক্যবোধ জগায় তুলিলে চিনাকি-অচিনাকি বুলি কোনো কথা নাই নিজৰ পাতৰ ভাত মুঠি ক্ষুধাৰ্ত জনৰ লগত ভগাই খোৱাৰ মানবতা বোধ। প্ৰকৃতিয়ে কৰা অন্যায়ৰ বিৰুদ্ধে যুঁজ দিবলৈ এখন হৃদয়ে আনখন হৃদয়ৰ ভাষা বুজি মানবতাৰ জয়গান গাবলৈ ওলাই আহাৰ মানবতাবোধ।

কিছু বছৰ পিছত মানুহৰ ঘৰ দুৱাৰ পুনৰ নিৰ্মিত হব, গোহালিত গৰু ভৰি পৰিব, পথাৰ সেউজ হৈ সোণগুটি উভৈনদী হব। বানপানীৰ ক্ষয়-ক্ষতিৰ কোনো চিন নাথাকিব, কিন্তু বানৰ বিভীসিকাত নিজৰ জীৱন তুচ্ছ জ্ঞান কৰি অচিনাকি মানুহ জনক সহায় কৰিবলৈ আগবাঢ়ি যোৱাজনৰ কথা যদি মানুহে মনত ৰাখে সেই মধুৰ ক্ষণটো হব আটাইতকৈ মুল্যবান। কাৰণ মানুহৰ হৃদয়ত গঢ়ি উঠা সভ্য মানসিকতা কোনো অট্টালিকা, বা আৰামদায়ক কোঠাই গঢ়ি তুলিব নোৱাৰে। মানুহৰ হৃদয়ত গঢ়ি উঠা বিশ্বাস, সহমৰ্মিতা, এজনে আনজনৰ প্ৰতি থকা দায়িত্ববোধে গঢ়ি উঠে মনবতা।

এই বানপানী শুকাই যোৱাৰ লগে লগে মানুহৰ মনৰ মানতাবোধ যেন শুকাই নাযায়। আজিৰ দৰেই অসমত চিৰ প্ৰবহমান হৈ থাকক এইম নবতাবোধ।

# শিৱসাগৰ, যোৰহাট, নাজিৰা

প্ৰভাত বণিয়া



মই যাও শিৱসাগৰ যোৰহাট, চৰাইদেউ নাজিৰা
বানে ধৰিছে ঘেৰি খাও খাও সংহাৰ মূৰ্তি
এফালৰ পৰা উটুৱাই নিলে দাদা, মা, বা, ভাই-ভনী,
খুড়া-খুড়ী, পেহা-পেহী
ঘৰ দুৱাৰ বাৰী-বস্তী, খেতি পথাৰ, ঘটি লোটা বাটি
থাকিবলৈ অকণ ঠাই নাই, নাই ভাত কাপোৰ লঘোনীয়া দেহা
শুবলৈ বিছনা নাই, মহৰ কামোৰ আঁঠুৱা নাই কিনো অভাগা কপাল
শিৱসাগৰ যোৰহাট নাজিৰা আজি বানত উটি ভাঁহি যায়
তচনচ আশা আকাংক্ষা জীৱনৰ সপোন হেঙুলীয়া
দুখত হিয়া ভাগি যায়
মন ভাগি যায়
কি কৰো উপায়
কথা পতা হ'ল, আলোচনা কৰা হ'ল বহুবাৰ
অসম মুলুকৰ বান বিভিষীকাৰ কথা
"অসমৰ বানপানী, সমস্যা আৰু সমাধান" শীৰ্ষক ৰচনা লিখি
পৰীক্ষাত উত্তীৰ্ণহে হ'ল আজিলৈ
বহু ছাত্ৰ-ছাত্ৰী বান বিভিষীকাৰ হ'লে অদ্যাপি নহ'ল অন্ত
প্ৰাৰ্থনা ! ভয়াবহ বান হক শেষ
'অসমৰ বানপানী ৰাষ্ট্ৰীয় সমস্যা'বুলি অচিৰেই স্বীকৃত হওক
অসম ভূমি হওক চিৰদিন বানমুক্ত।

# দিবাস্বপ্ন

কৰিছিল সিহঁতক মানুহ কৰিবলৈ। চকুৰ পানীখিনি জোৰেৰে সামৰি তাই মাকৰ কাষলৈ গ'ল । তাই নেদেখাকৈ মাকে যে উচুপি আছিল, তাই বুজি পাইছে ।

ঃ মা, তুমি কিয় এনে কৰিলা, দাদা ইমান পৰিবৰ্তন কিয় হ'ল মই বুজিব পৰা নাই।

ঃ মাজনী, মই বুঢ়ী হৈ আহিছোঁ, ভাবিছিলোঁ তোৰ আৰু সোণৰ দুয়োটা নামতে মাটি বাৰী সকলোবোৰ ভাগ কৰি দিম । কিন্তু সি উকা কাগজত চহী কৰাই নি সকলো নিজৰ নামত কৰি এতিয়া বোলে আধা মাটি বিক্ৰীও কৰিছে। সেই টকাৰে সি বোলে চহৰত গৈ ব্যৱসায় কৰিব। মোৰ সকলো শেষ হৈ গ'ল মাজনী - মাকে হুকহুকাই কান্দি উঠিল। মা জীৱনত সকলোকে বিশ্বাস কৰি আমি ডাঙৰ ভুল কৰোঁ ।উকা কাগজত চহী কেতিয়াও নকৰিবা, সি তোমাৰ যিমানেই আপোন নহওক মা । মইয়ো এটা ডাঙৰ শিক্ষা পালোঁ ।

ঃ মাজনী, তই যে চাকৰি বাবে পৰীক্ষা দিছিলি, কি হ'ল ? পাবি নে

ঃনাপালোঁ মা, আজিকালি পঢ়া - শুনাৰ মূল্য নাই, যোগ্যতাৰ প্ৰয়োজন নাই মা, আজিকালি নিয়মবোৰ তুমি বুজি নাপাবা মা। এওঁ মোক পৰীক্ষা দিবলৈকে মানা কৰিছিল ।মইহে ব্যস্ত থাকোঁ বুলি পৰীক্ষাত বহিছিলোঁ। কিন্তু তোমাৰ দৰে এটা উকা কাগজৰ চহীয়ে মোকো শেষ কৰি পেলালে। মান সন্মান সকলো শেষ হৈ যায় মা কিছুমান মানুহৰ ভুল সিদ্ধান্তৰ বাবে আমাৰ সপোনবোৰৰ মৃত্যু হয় ।

যি হয় ভালে হয় মাজনী, তই চিন্তা নকৰিবি । জোৱাই ভাল মানুহ ।সি তোক বুজি পাই, কষ্ট নিদিয়ে ।আহ আমি ভাত খাই লওঁ। তই ভালপোৱা সৰু মাছৰ ভাজি, খাৰলী আৰু খৰিচাৰে পইতা ভাত।

আহ্ তুমি ইমান ভাল । বলা বলা কিমাননো আৰু দুখৰ কথাবোৰ মনত পেলাই দুখ কৰিবা। আমাৰো ভাল দিন আহিব। যত দুখ নাই তাত সুখৰো মূল্য নাই মা।

আইনুৰ কথাত মাক - জীয়েক দুয়োজনীয়ে খিলখিলাই হাঁহি উঠিল।

# বানত ক্ষতিগ্ৰস্ত

বীমা কোম্পানীসমূহৰ লগত এক বৈঠকত বহিব। ইতিমধ্যে ঋণৰ ইএমআইৰ ক্ষেত্ৰত কালি বেংকসমূহৰ সৈতে যিধৰণে বৈঠক অনুষ্ঠিত হ'ল, সেই একেইধৰণে বীমা কোম্পানীসমূহৰ সৈতে আলোচনা অনুষ্ঠিত হ'ব। যাতে বানত ক্ষতিগ্ৰস্ত হোৱা বাহনৰ বিপৰীতে তেওঁলোকে ইসুৰেঞ্চ লাভ কৰে। বীমা কোম্পানীসমূহে ক্ষতি হোৱা বাহনৰ ইলুৰেঞ্চ দিয়াৰ ক্ষেত্ৰত যাতে কোনো গাফিলতি নকৰে, খৰটকীয়া হয় সেই দিশটোক সন্মুখত ৰাখি এই বৈঠকখন অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰীয়ে ইয়াকো স্পষ্ট কৰে যে এই সন্দৰ্ভত অনাবেংকিং বিত্তীয় সংস্থা (এনবিএফচি) ৰ সৈতেও অনুৰূপ বৈঠক অনুষ্ঠিত হ'ব। চাৰিচকীয়া, দুচকীয়া বাহনৰ লগতে বহু লোকৰ আন সামগ্ৰীৰ ওপৰতো বীমা আছে। বহুলোকে পোহনীয়া গৰু-ম'হৰ ওপৰত বীমা কৰিছে, জীৱন বীমা কৰিছে এই বীমাসমূহো যাতে সোনকালে লাভ কৰে, বিশেষকৈ শিৱসাগৰ, চৰাইদেউ, গোলাঘাট আৰু যোৰহাট জিলাৰ বীমাৰ দাবীসমূহ যাতে কোম্পানীসমূহে সোনকালে নিষ্পত্তি কৰে, তাৰ ব্যৱস্থা ল'বলৈ চৰকাৰে সিদ্ধান্তগ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয়-কালি বেংকসমূহৰ লগত হোৱা আলোচনাৰ জৰিয়তে বানত আক্ৰান্ত হোৱা লোকৰ যি ঋণ আছে, সেই ঋণৰ ছমাহৰ ম'ৰেট'ৰিয়াম ঘোষণা কৰা হৈছে। তদুপৰি ঋণ ঘূৰাই দিয়াৰ যি সীমা, সেয়াও বৃদ্ধি কৰা হৈছে।

# বানপীড়িত জিলালৈ

বাবে প্ৰেৰণ কৰা হয়। পৰ্যায়ক্ৰমে আৱশ্যকীয় বিনামূলীয়া পাঠ্যপুথিসমূহ এই তিনিখন জিলালৈ প্ৰেৰণ কৰি থকা হ'ব। শিক্ষামন্ত্ৰী ডাঃ পেগুৱে ইয়াকো উল্লেখ কৰে যে প্ৰশাসনে প্ৰেৰণ কৰা পাঠ্যপুথিসমূহ সঠিকভাৱে গ্ৰহণ কৰি বানবিধ্বস্ত এলেকাসমূহৰ ছাত্ৰ-ছাত্ৰীৰ হাতত যাতে তুলি দিয়ে। যিহেতু বিনামূলীয়া পাঠ্যপুথি বিতৰণ জিলা প্ৰশাসনৰ তদাৰকত হয়, সেইবাবে এইক্ষেত্ৰত কিছু স্থিৰতা আৰু শৃংখলাবদ্ধতা হোৱা উচিত। ইফালে কেইবাখনো নতুন পাঠ্যপুথি ছপোৱাৰ বাবে কাম আৰম্ভ হৈছে। যুদ্ধকালীন তৎপৰতাৰে এই নতুন কিতাপসমূহ ছাত্ৰ-ছাত্ৰীৰ হাতত তুলি দিয়া হ'ব। উল্লেখ্য যে ৭খন ট্ৰাকেৰে প্ৰথম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ বিনামূলীয়া পাঠ্যপুথিসমূহ প্ৰেৰণ কৰা হয়। ইফালে বিদ্যালয়সমূহ গৰমৰ বন্ধ অহা ১ আগষ্টৰ পৰা খুলিবলগা হোৱা হেতুকে বানবিধ্বস্ত শিৱসাগৰ আৰু চৰাইদেউ জিলাত বিদ্যালয়সমূহ আগষ্ট মাহৰ প্ৰথম সপ্তাহৰ পৰা আৰম্ভ হ'ব নে নাই তাক লৈ চলি থকা চৰ্চা সন্দৰ্ভত শিক্ষামন্ত্ৰীগৰাকীয়ে কয় যে বিষয়টোৰ ওপৰত জিলা প্ৰশাসনে সিদ্ধান্তগ্ৰহণ কৰিব। যদি এতিয়াও বিদ্যালয়সমূহৰ পাঠদানৰ পৰিৱেশ গঢ়ি উঠা নাই অথবা বিদ্যালয়সমূহ পৰিষ্কাৰ হৈ উঠা নাই, তেনেক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ পাঠদান আগষ্ট মাহৰ প্ৰথম সপ্তাহৰ পৰিৱৰ্তে কিছুদিন হয়তো পিছুৱাব লগা হ'ব পাৰে। এই সকলো সিদ্ধান্ত গ্ৰহণ কৰিব জিলা প্ৰশাসনে।

# বানত মৃত্যু হোৱা

ৰাজহ চক্ৰত ৪৩টা, নাজিৰা ৰাজহ চক্ৰত ১০৬টা, সোণাৰি ৰাজহ চক্ৰত ১৯টা দল নিৰ্ধাৰণ কৰিছে। কাইলৈৰ পৰা বিভিন্ন গাঁৱলৈ গৈ কাম আৰম্ভ কৰিব বুলি জিলা আয়ুক্ত যাদৱে জানিবলৈ দিয়ে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে এইবাৰ অৰুণোদয় আঁচনিৰ ধন ৩ আগষ্টৰ পৰিৱৰ্তে ১ আগষ্টতে প্ৰদান কৰিব। বানপীড়িত চাৰিখন জিলাৰ পৰিয়ালৰ বাবে এইবাৰ ১২৫০ টকাৰ সলনি ২৫০০ টকাকৈ আগবঢ়োৱা হ'ব অৰুণোদয়ৰ ধন।

# ডিব্ৰুগড় অভিযাত্ৰী

আয়ুক্ত আৰু জিলা দণ্ডাধীশৰ কাৰ্যালয় সন্মুখত থকা-আত্মসহায় গোটৰ বজাৰ গৃহ অনুমোদন লাভ কৰে। ইতিমধ্যে এই গোটে আত্মনিৰ্ভৰ অসম গঢ়াৰ দিশত ডিব্ৰুগড় জিলা প্ৰশাসন আৰু জিলা পৰিষদৰ আৰু এ এচ আৰ এল এমৰ সহযোগিতা বাবে এই ব্যৱসায়ৰ জৰিয়তে স্বাৱলম্বীতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে- বুলি সংবাদ মাধ্যমৰ আগত সবিতা দত্তই কয়।

# ফোনযোগে পুনৰ বান

পৰ্যায়ৰ পৰিস্থিতিৰ বিষয়ে খবৰ লোৱাৰ লগতে সাহায্য, পুনঃউদ্ধাৰ আৰু পুনঃনিৰ্মাণৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ পৰা সকলোধৰণৰ সহযোগিতা অব্যাহত ৰখাৰ আশ্বস্ত কৰে। এই কঠিন সময়ত অসমৰ জনসাধাৰণৰ স্বাৰ্থত ইতিমধ্যে আন্তঃমন্ত্ৰালয়ৰ দল প্ৰেৰণ কৰাৰ উপৰি কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট সংস্থাসমূহে পূৰ্ণ সহযোগিতা আগবঢ়াই যাব বুলিও তেওঁ পুনৰ দৃঢ়তাৰে উল্লেখ কৰে। এই দুৰ্যোগৰ সময়ত অসমৰ জনসাধাৰণৰ প্ৰতি দেখুওৱা আন্তৰিক সহানুভূতি, অব্যাহত ৰখা সহযোগিতা আৰু দৃঢ়প্ৰতিশ্ৰুতিৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

# অসম সংকুচিত জৈৱ গেছ নীতি

প্ৰতি টন দৈনিক উৎপাদন ক্ষমতাসম্পন্ন প্ৰকল্পৰ বিপৰীতে ৫০ লাখ টকাৰ মূলধনী ৰাজসাহায্য প্ৰদান কৰা হ'ব। অৱশ্যে প্ৰতিটো প্ৰকল্পৰ ক্ষেত্ৰত এই ৰাজসাহায্য সৰ্বাধিক ২০ কোটি টকালৈ সীমাবদ্ধ থাকিব। তদুপৰি বিদ্যুৎ মাচুলৰ ক্ষেত্ৰত ৫ বছৰৰ বাবে প্ৰতি ইউনিটত ৩টা সাহায্য প্ৰদান কৰা হ'ব। আনহাতে ভূমি সাহায্য ব্যৱস্থাৰ অন্তৰ্গত ভূমি বেংকৰ জৰিয়তে ভূমি আবণ্টন, চৰকাৰী ভূমি ৰেহাই মূল্যত লীজ প্ৰদান, পঞ্চায়ত ভূমি লীজৰ সুবিধা প্ৰদান, ষ্টাম্প শুল্ক, পঞ্জীয়ন মাচুল আৰু ভূমি ৰূপান্তৰ মাচুলৰ পৰা ৰেহাই প্ৰদান কৰা হ'ব। ইফালে বিত্তীয় সাহায্য ব্যৱস্থাৰ অধীনত ৫ বছৰৰ বাবে মুঠ এছজিএছটিৰ সৰ্বাধিক এশ শতাংশপৰ্যন্ত ঘূৰাই দিয়া আৰু ম্যাদী ঋণৰ ওপৰত সুতৰ ৰাজসাহায্য প্ৰদান কৰা হ'ব। জৈৱ পদাৰ্থ সংগ্ৰহৰ যন্ত্ৰপাতি আৰু প্ৰদূষণ নিয়ন্ত্ৰণ সঁজুলিৰ বাবে ৰাজসাহায্য তথা পেটেণ্ট-ট্ৰেড মাৰ্ক পঞ্জীয়নৰ ব্যয় ঘূৰাই দিয়া আৰু নিয়োগ ভিত্তিত উদগনি প্ৰদান কৰা হ'ব। ৰাজ্যিক কেবিনেটে আজি অসম পশুপালন আৰু পশু চিকিৎসা অধীনস্থ সেৱা (সংশোধনী) বিধি-২০২৬ত অনুমোদন জনায়। এই সংশোধনীৰ জৰিয়তে পশু চিকিৎসা ক্ষেত্ৰ সহায়কসকলৰ নিযুক্তি আৰু সেৱাৰ চৰ্তসমূহৰ স্বচ্ছতা, মেধাভিত্তিক বাছনি আৰু সমৰূপতা নিশ্চিত কৰা হ'ব। কেবিনেটে আজি কেন্দ্ৰীয় চৰকাৰৰ চৰকাৰী অনুমোদিত পৰীক্ষা কেন্দ্ৰ (জিএটিচি) বিধিৰ সৈতে সামঞ্জস্য ৰাখি প্ৰস্তুত কৰা অসম আইনী পৰিমাপ বিদ্যা (চৰকাৰী অনুমোদিত পৰীক্ষা কেন্দ্ৰ) বিধি ২০২৬ত অনুমোদন জনায়। এই বিধিৰ জৰিয়তে সামগ্ৰী প্ৰস্তুতকাৰীসকলে ৰাজ্যিক জিএটিচিৰ মাধ্যমেৰে স্ব-প্ৰমাণীকৰণ আৰু ওজন, জোখ-মাপৰ সঁজুলিৰ তৃতীয় পক্ষৰ দ্বাৰা প্ৰমাণিকৰণৰ ব্যৱস্থা কাৰ্যকৰী কৰিব পাৰিব। কেবিনেটে অসম বন নিয়মাৱলী ১৮৯১ৰ বিধি অনুসৰি গোৱালপাৰা জিলাৰ ৰাক্ষসিনী প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল আৰু থৰকো নলবাৰী প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলত সংৰক্ষিত বনাঞ্চল হিচাপে অধিসূচনা কৰিবলৈ অনুমোদন জনায়।

# লোকসভাত গৃহীত প্ৰশ্নকাকত ফাদিল

প্ৰশ্নকাকত বিৰোধী বিধেয়কখনক লৈ লোকসভাত কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীৰ ভাষণত ব্যৱহাৰ কৰা 'শব্দচয়ন'ক লৈ আপত্তি তোলে বিজেপিয়ে। শেষলৈ ৰাহুল গান্ধীয়ে ব্যৱহাৰ কৰা 'আপত্তিকৰ' কিছু শব্দ লোকসভাৰ ৰেকৰ্ডৰ পৰা বাদ দিবলৈ কয় অধ্যক্ষ ওম বিৰলাই। লোকসভাত গৃহীত হোৱা সংশোধনী বিধেয়কখনত প্ৰশ্নকাকত ফাদিল আৰু পৰীক্ষা সম্পৰ্কীয় যিকোনো অনিয়মৰ ক্ষেত্ৰত কঠোৰ শাস্তিৰ বিধান দিয়া হৈছে। এই সংশোধনী বিধেয়কখনৰ প্ৰস্তাৱ অনুসৰি, সংশোধিত আইনখনে পৰীক্ষাৰ জালিয়াতিৰ লগত জড়িতসকলৰ শাস্তি বহু পৰিমাণে বৃদ্ধি কৰিব । কাকত ফাদিলৰ গোচৰত দোষী সাব্যস্ত হোৱা ব্যক্তিক এতিয়া ১০ বছৰ পৰ্যন্ত কাৰাদণ্ড আৰু ৫০ লাখ টকাৰ জৰিমনা বিহা হ'ব পাৰে। আনহাতে এনে অপৰাধৰ সৈতে জড়িত সংগঠিত অপৰাধ ছিণ্ডিকেটক ৭ৰ পৰা দহ বছৰৰ কাৰাদণ্ড আৰু ১০ কোটিৰো অধিক টকাৰ জৰিমনা বিহা হ'ব পাৰে। গোপন বুজাবুজিৰ ক্ষেত্ৰত দোষী সাব্যস্ত হোৱা সকল অধিক জৰিমনা আৰু ৰাজহুৱা পৰীক্ষা অনুষ্ঠিত কৰাত দীৰ্ঘদিনীয়া নিষেধাজ্ঞাকে ধৰি কঠোৰ শাস্তিৰ সন্মুখীন হ'ব লাগিব। সহযোগী বুলি ধৰা পৰা জ্যেষ্ঠ কাৰ্যবাহীসকলেও কাৰাদণ্ড আৰু আৰ্থিক শাস্তিৰ সন্মুখীন হ'ব পাৰে। এই বিধেয়কখনত তদন্ত আৰু বিচাৰ ক্ষিপ্ৰ কৰাৰ ব্যৱস্থাও উত্থাপন কৰা হৈছে। তদন্তকাৰী সংস্থাসমূহে ৬০ দিনৰ ভিতৰত তদন্ত সম্পূৰ্ণ কৰিব লাগিব। আনহাতে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে এনে গোচৰৰ শুনানিৰ বাবে বিশেষ ফাষ্ট ট্ৰেক আদালত স্থাপন কৰিব। এই আদালতসমূহে অভিযোগনামা দাখিল কৰাৰ তিনিমাহৰ ভিতৰত ৰায়দান দিয়াৰ সম্ভাৱনা আছে। ইয়াৰ উপৰিও পৰীক্ষাৰ জালিয়াতিৰ জৰিয়তে অধিগ্ৰহণ কৰা সম্পত্তি সংলগ্ন আৰু জব্দ কৰিবলৈ কৰ্তৃপক্ষই অনুমতি দিয়ে। ৰাজহুৱা পৰীক্ষা (অনিয়ম প্ৰতিৰোধ) সংশোধনী বিধেয়ক, ২০২৬ ত ইউপিএছচি, নীট, জেইই, চিইউইটি আৰু এছএছচিকে ধৰি ডাঙৰ ডাঙৰ ৰাষ্ট্ৰীয় প্ৰৱেশ আৰু নিযুক্তি পৰীক্ষাসমূহ সামৰি লোৱা হৈছে । ইয়াৰ উপৰিও পৰীক্ষা ব্যৱস্থা শক্তিশালী কৰিবলৈ এআই ভিত্তিক প্ৰক্টৰিং, ব্লকচেইন সমৰ্থিত প্ৰশ্নকাকত সুৰক্ষা আৰু তৃতীয় পক্ষৰ সুৰক্ষা অডিটৰ দৰে উন্নত প্ৰযুক্তিৰ ব্যৱহাৰৰ ব্যৱস্থা কৰা হৈছে । কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা পৰিচালিত প্ৰতিযোগিতামূলক পৰীক্ষাত অনিয়ম হ'লে তাৰ মোকাবিলাৰ বাবে সু-নিৰ্দিষ্ট আইন ২০২৪ চনৰ পূৰ্বে নাছিল। প্ৰশ্নকাকত ফাদিল সম্পৰ্কীয় বিতৰ্কক লৈয়ে সেই বছৰ আইনখন প্ৰণয়ন কৰা হৈছিল। এইবাৰ সেই পুৰণা আইনখনকে সংশোধন কৰি শাস্তিৰ পৰিধি অধিক বিস্তৃত কৰিবলৈ বিচাৰিছে চৰকাৰে।

# বানবিধ্বস্তলৈ ১৬ কোটিৰ সাহায্য

মন্ত্ৰী, বিধায়ক আৰু কাৰ্যকৰ্তাৰ উপস্থিতিত এই বান সাহায্য সামগ্ৰী প্ৰেৰণৰ শুভাৰম্ভণি কৰে। এই সামগ্ৰীসমূহৰ ভিতৰত আছে- ১ লাখ ৮০ হাজাৰ মেখেলা-চাদৰ, ১ লাখ ৮০ হাজাৰ শিশুৰ টি-চাৰ্ট, ১ লাখ ৫০ হাজাৰখন আঁঠুৱা। বান সাহায্য প্ৰেৰণৰ শুভাৰম্ভণি কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়- শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাত হোৱা দুৰ্যোগে সৰ্বসাধাৰণ ৰাইজক দুৰ্দশাৰ মুখলৈ ঠেলি দিয়াৰ লগতে বৰ্তমান আৰু ভৱিষ্যতক লৈ সংকটৰ সৃষ্টি হৈছে। এই সংকটৰ পৰা বন্যাক্ৰান্ত লোকসকলক চৰকাৰে সকলোধৰণে সহায় আগবঢ়াব। আনহাতে এই সময়ছোৱাত যিসকল বন্যাক্ৰান্ত লোকে পূৰ্বে ঋণৰ ইএমআই প্ৰদান কৰিব পৰা নাই, তেওঁলোকৰ ক্ষেত্ৰত যাতে বেংকে কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰে, তাৰ বাবে মুখ্যমন্ত্ৰী ড° শৰ্মাই বৃহস্পতিবাৰে বেংকসমূহৰ সৈতে এক আলোচনাত মিলিত হ'ব বুলিও জানিবলৈ দিছে। বিশেষকৈ ইএমআই যাতে কিছু পৰিমাণে শিথিল কৰিব পৰা যায়, তাৰ বাবে এই বিষয়টো আলোচনা কৰা হ'ব। উল্লেখ্য যে ইতিপূৰ্বে ৰাজ্য চৰকাৰে প্ৰতিটো বন্যাক্ৰান্ত পৰিয়ালক ১৫ হাজাৰ টকাকৈ তৎকালীন সহায় আগবঢ়োৱাৰ লগতে বান প্ৰভাৱিত ৪ জিলাত অৰুণোদয়ৰ ধন ২, ৫০০ টকালৈ বৃদ্ধিৰ কথা ঘোষণা কৰিছে। তদুপৰি ৰাজ্য চৰকাৰে বানত মৃত্যু হোৱা লোকক ৪ লাখ টকাৰ দিয়াৰ উপৰি মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰাও ৫ লাখ টকা দিয়াৰ কথা মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে ঘোষণা কৰিছে। ইফালে উজনি অসমৰ বানপীড়িত ৰাইজক সহায়ৰ উদ্দেশ্যে অসম গণ পৰিষদে আগবঢ়োৱা সাহায্য সামগ্ৰী কঢ়িয়াই নিয়া বাহনৰ বুধবাৰে অগপৰ সভাপতি অতুল বৰাই ফ্লেগ অফ কৰে। উজনি অসমৰ বানপীড়িত ৰাইজক সহায়ৰ উদ্দেশ্যে অগপ দলে আগবঢ়োৱা সাহায্য সামগ্ৰী কঢ়িয়াই নিয়া বাহন আৰ্তজনৰ কাষলৈ ৰাওনা হৈছে। অগপ সভাপতি অতুল বৰাৰ আহ্বান অনুসৰি দলৰ সাংসদদ্বয় ফণীভূষণ চৌধুৰী, বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য, দলৰ উপ-সভাপতি অপূৰ্ব কুমাৰ ভট্টাচাৰ্য, সাধাৰণ সম্পাদক ৰমেন্দ্ৰ নাৰায়ণ কলিতা, সুনীল ডেকা, বিধায়ক পৃথ্বিৰাজ ৰাভা, দীপক দাস, ধৰ্মেশ্বৰ ৰায়, প্ৰচাৰ সম্পাদক অংশুমান দত্তৰ লগতে অগপৰ জ্যেষ্ঠ বিষয়া, ভাতৃ-ভগ্নী সংগঠনৰ বিষয়ববীয়া আৰু অগপৰ কাৰ্যকৰ্তাসকলে এই সাহায্য বিতৰণ কৰিব।

# অসমলৈ ৩৭৯.৩৫ কোটি

২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে কেন্দ্ৰীয় অংশীদাৰিত্বৰ প্ৰথম কিস্তি লাভ কৰিছে। বিবৃতিটোত উল্লেখ কৰা হৈছে, “ সাহায্য অভিযানৰ বাবে সময়মতে ধনৰ উপলব্ধতা নিশ্চিত কৰাৰ স্বাৰ্থত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এছডিআৰএফৰ কেন্দ্ৰীয় অংশীদাৰিত্বৰ দ্বিতীয় কিস্তি হিমাচল প্ৰদেশ আৰু ওড়িশালৈ আগতীয়াকৈ মুকলি কৰি দিয়াত অনুমোদন জনাইছে। হিমাচল প্ৰদেশৰ বাবে দ্বিতীয় কিস্তিৰ ১৯৩.৯৫ কোটি আৰু ওড়িশাৰ বাবে ৫০০ কোটি টকা অনুমোদন দিয়া হৈছে।” এই পুঁজিৰ ভিতৰত অসমে ৩৭৯.৩৫ কোটি লাভ কৰাৰ লগতে উত্তৰ-পূবৰ আন এখন ৰাজ্য অৰুণাচল প্ৰদেশে প্ৰথম কিস্তিৰ আগধন হিচাপে ৪৪.৩৫ কোটি টকা লাভ কৰিব। ইয়াৰ বিপৰীতে গুজৰাট, মহাৰাষ্ট্ৰক ৫০০ কোটি টকাকৈ মুকলি কৰি দিয়াত অনুমোদন জনোৱা হয়। এই সন্দৰ্ভত নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ৰাজ্যসমূহক প্ৰয়োজনীয় সকলো সাহায্য প্ৰদানৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি প্ৰকাশ কৰি গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে সাহায্য, উদ্ধাৰ তথা পুনৰ সংস্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। লগতে পৰিস্থিতিৰ ওপৰত নিবিৰভাৱে নিৰীক্ষণ কৰি থকা হৈছে। ক্ষয়-ক্ষতিৰ বুজ ল'বলৈ ইতিমধ্যে অৰুণাচল প্ৰদেশ আৰু অসমলৈ আন্তঃমন্ত্ৰালয়ৰ কেন্দ্ৰীয় দল (IMCT) প্ৰেৰণ কৰা হৈছে। অসমৰ ভয়াৱহ বান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আই এম চি টিয়ে দুবাৰকৈ ৰাজ্যখন ভ্ৰমণ কৰিছে। নাগালেণ্ড চৰকাৰৰ পৰা লাভ কৰা অনুৰোধমৰ্মে ৰাজ্যখনৰ বাবে আন্তঃমন্ত্ৰালয় কেন্দ্ৰীয় দল গঠন কৰা হৈছে।

# ৯ আগষ্টৰ পৰা বিদ্যালয় খোলাৰ

দুদিনত এই ধন বানাক্ৰান্তই লাভ কৰিব। আনহাতে ১ ছেপ্টেম্বৰৰ পৰা বানপীড়িত ৪ জিলাৰ পথ, মথাউৰি আৰু আন আন্তঃগাঁথনিসমূহ উন্নয়নৰ বাবে মিছন মুডত চৰকাৰে কাম কৰিব। ইয়াৰ বাবে যথেষ্ট পুঁজিৰ প্ৰয়োজন হ'ব। সেয়েহে দ্বিতীয় পৰ্যায়ত আন্তঃগাঁথনিৰ কামত গুৰুত্ব আৰোপ কৰি প্ৰথম পৰ্যায়ত বানপীড়িতসকলক নিজ নিজ গৃহলৈ প্ৰেৰণ কৰাৰ পৰিকল্পনা প্ৰস্তুত কৰা হৈছে। এই লক্ষ্যৰে শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বাবে দুটা বিশেষ অৰ্থনৈতিক পেকেজ ঘোষণা কৰা হ'ব। ছেপ্টেম্বৰ মাহত ইয়াৰ বাবে গ্ৰহণ কৰা হ'ব দীৰ্ঘম্যাদী আঁচনি। ভিজি-বিজি ৰামজী আঁচনিৰ জৰিয়তে ১০০ দিনৰ বাবে যাতে কাম লাভ কৰে, এইদিশত ছেপ্টেম্বৰ মাহত গুৰুত্ব দিয়া হ'ব। আগষ্ট মাহত চৰকাৰৰ মূল লক্ষ্য হ'ব- কেনেকৈ পৰিয়ালসমূহক ঘৰলৈ ঘূৰাই পঠিয়াব পৰা যায়। ইফালে অহা ৯ আগষ্টৰ পৰা বিদ্যালয়সমূহ খোলাৰ পৰিকল্পনা কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- শিৱসাগৰ জিলাত প্ৰায় ৫৫০খন বিদ্যালয় ক্ষতিগ্ৰস্ত হৈছে, চৰাইদেউ জিলাতো বহু বিদ্যালয় ক্ষতিগ্ৰস্ত হৈছে। এই বিদ্যালয়সমূহৰ শ্ৰেণীকোঠা বোকাৰে পোত গৈছে। সেয়েহে বিদ্যালয়সমূহৰ মেৰামতিৰ বাবে চৰকাৰে ২-৩ লাখ টকা প্ৰদান কৰিব। ইয়াৰ বাবে জৰীপ চলি থকা হৈছে। অহা ৫-৬ আগষ্টৰ ভিতৰত বিদ্যালয়সমূহে এই ধনৰাশি লাভ কৰাৰ সম্ভাৱনা আছে। চৰকাৰৰ লক্ষ্য- ৯ আগষ্টৰ পৰা যাতে বিদ্যালয়ত পাঠদান আৰম্ভ হয়। তাৰ আগলৈ বিদ্যালয়সমূহলৈ পুঁজি বিতৰণ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হ'ব। শিক্ষা বিভাগে নিয়ম অনুসৰি এই পুঁজি প্ৰদান কৰিব। যিসমূহ বিদ্যালয় এই নিয়মৰ অধীনত নাহে, সেই বিদ্যালয়সমূহকো আৰ্থিকভাৱে সকাহ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয়- বানপীড়িত জিলাকেইখনৰ প্ৰশাসন, ৰাজ্য চৰকাৰ আৰু ৰাজহ বিভাগৰ বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হৈছে যে ৭ আগষ্টৰ পৰা বানাক্ৰান্ত জিলাকেইখনত এক স্থায়ী জৰীপ আৰম্ভ কৰা হ'ব। ইয়াৰ জৰিয়তে কিমান ঘৰ ক্ষতি হ'ল, ঘৰসমূহ স্থায়ীভাৱে ক্ষতি হৈছে নে আংশিকভাৱে ক্ষতি হৈছে, পশুধনৰ মৃত্যু বা আন আন্তঃগাঁথনিৰ ক্ষয়-ক্ষতিৰ সন্দৰ্ভত চৰকাৰে মিছন মুদত আগবাঢ়ি অহা ১০-১৫ দিনত এই জৰীপ সম্পূৰ্ণ কৰা হ'ব। ইয়াৰ পূৰ্বে মই নিজে জিলা দুখনত উপস্থিত হৈ জৰীপৰ ক্ষেত্ৰত প্ৰদান কৰিবলগীয়া নীতি-নিৰ্দেশনাসমূহ দিয়া হ'ব। এই জৰীপৰ পিছতেই আগষ্ট মাহৰ ভিতৰত পৰিয়ালসমূহৰ যিধৰণৰ ক্ষয়-ক্ষতি হৈছে সেই ধৰণে তেওঁলোকক আৰ্থিক সাহায্য যাতে প্ৰদান কৰিব পৰা যায়, তাৰ ব্যৱস্থা কৰা হ'ব। ইফালে ৰাজ্যিক কেবিনেটে বানক্ৰান্ত শিক্ষাৰ্থীসকলৰ বাবে এক বিশেষ সিদ্ধান্ত গ্ৰহণ কৰি জিলাকেইখনৰ শিক্ষাৰ্থীসকলৰ পুনৰ ইউনিফম যোগানৰ বাবে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা সমগ্ৰ শিক্ষা অভিযানলৈ ৮ কোটি মোকলাই দিয়াত অনুমোদন জনায়।

# ৬ মাহলৈ ঋণৰ কোনো কিস্তি

বন্যাক্ৰান্ত লোকৰ বাবেহে প্ৰযোজ্য হ'ব। সমান্তৰালভাৱে ১৯ জুলাইৰ পৰা কাৰ্যকৰী হ'বলগা এই সকাহ আঁচনিৰ ক্ষেত্ৰত এটা দিশ স্পষ্ট হ'ব লাগিব যে যিসকলৰ ঋণ আছে, তেওঁলোকৰ বেংক একাউণ্ট এনপিএ হৈ থাকিব নালাগিব। ইফালে যিসকল ক্ষুদ্ৰ ব্যৱসায়িক অতিৰিক্তভাৱে ১০ হাজাৰ টকাৰ ঋণ প্ৰদান কৰা হ'ব, তেওঁলোকে এই ঋণৰ বাবে কোনোধৰণৰ বন্ধকী দিব নালাগে। ফেচবুক লাইভযোগে মুখ্যমন্ত্ৰীয়ে কয়- ৰাজ্য চৰকাৰে বন্যাক্ৰান্তক তাৎক্ষণিক সহায়ৰ বাবে যি ১৫ হাজাৰ টকা আগবঢ়াইছে সেয়া মাত্ৰ অন্তৰ্বৰ্তীকালীন সহায়হে। অহা ৭ আগষ্টৰ পৰা চাৰিখন জিলাৰ ক্ষয়-ক্ষতি, পশুধন, তাঁতশাল আৰু কৃষিভূমিকে ধৰি ক্ষতি হোৱা দিশসমূহ জৰীপ কৰা হ'ব। এই জৰীপৰ পাছতে প্ৰতিটো পৰিয়ালক অতিৰিক্তভাৱে সহায়ৰ হাত আগবঢ়োৱা হ'ব। ইয়াৰ পূৰ্বেই শিৱসাগৰ আৰু চৰাইদেউ জিলালৈ গৈ মই জৰীপৰ প্ৰক্ৰিয়া যাতে ক্ষিপ্ৰ হয়, তাৰ বাবে জিলা আয়ুক্তৰ সৈতে বৈঠক অনুষ্ঠিত কৰিম। ইফালে মহিলা উদ্যমিতা আঁচনিৰ অধীনত যিসকল মহিলাই ১০ হাজাৰ টকাকৈ লাভ কৰিছিল, সেই মহিলাসকলৰ যি ক্ষতি হ'ল, এই ক্ষতিপূৰণৰ বাবেও অচিৰেই গ্ৰহণ কৰা হ'ব এক আঁচনি। ইফালে চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ প্ৰতিটো নামঘৰ মেৰামতিৰ বাবে ডেৰ লাখ টকাকৈ আগবঢ়োৱাৰ কথাও আজি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। অসম দৰ্শন আঁচনিৰ অধীনত এই অৰ্থ-সাহায্য আগবঢ়োৱা হ'ব। মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা অনুসৰি জিলা দুখনৰ ৪৫টা পথৰ ১৬টা পথৰ বোকা আঁতৰাই যাতায়াতৰ বাবে মুকলি কৰা হৈছে। বানাক্ৰান্ত চাৰি জিলাত ৰাইজলৈ এতিয়ালৈকে আগবঢ়োৱা সাহায্যৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- ১৯, ৪৬৯ কুইন্টল চাউল, ৩, ৬২২ কুইন্টল দাইল, ৮৪ হাজাৰ লিটাৰ মিঠাতেলকে ধৰি বিভিন্ন সহায় চৰকাৰে ৰাইজলৈ আগবঢ়াইছে। ইতিমধ্যে বান সাহায্য কিট এটা বনাই ৮ কিলোগ্ৰাম চাউল, ৩ কিলোগ্ৰাম দাইল, ১ লিটাৰ মিঠাতেলৰ বটলৰ সৈতে প্ৰতিটো পৰিয়ালক আগবঢ়োৱা হৈছে। এই কিট এতিয়ালৈকে শিৱসাগৰ জিলাত ২, ৩৭, ৫১৩টা প্ৰেৰণ কৰা হৈছে। আনহাতে চৰাইদেউ জিলালৈ ৬৩, ০০০টা কিট প্ৰেৰণ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে বিনামূলীয়া কিতাপ প্ৰেৰণ কৰাৰ কথা উল্লেখ কৰাৰ লগতে স্কুল ইউনিফৰ্মৰ ধন অতি সোনকালে প্ৰেৰণ কৰা হ'ব বুলিও উল্লেখ কৰে।

# কমনৱেলথ গেমছত

কৰিলে। অলিম্পিক, কমনৱেলথ গেমছ আৰু এছিয়ান গেমছত পদক জিনি ভাৰতৰ তৃতীয়গৰাকী বক্সাৰ হিচাপে নজিৰ গঢ়ে লাভলীনাই। বক্সাৰগৰাকীয়ে সোণৰ পদক লাভ কৰিব বুলি আশা কৰি আছিল যদিও অষ্ট্ৰেলিয়াৰ বক্সাৰ এমা-ছু গ্ৰীণট্ৰিৰ হাতত পৰাস্তত হোৱাৰ লগে লগে লাভলীনা বৰগোঁহায়ে ৰূপৰ পদকতে সন্তুষ্ট থাকিব লগীয়া হ'ল। আনহাতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰূপৰ পদক লাভ কৰাৰ পাছতে সামাজিক মাধ্যমযোগে লাভলীনা বৰগোঁহাইক অভিনন্দন জনায়। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীগৰাকীয়ে লিখে, অভিনন্দন লাভলীনা! কমনৱেলথ গেমছ ২০২৬ত ৰূপৰ পদক জয় কৰি পুনৰবাৰ সমগ্ৰ অসম আৰু দেশবাসীক গৌৰৱান্বিত কৰাৰ বাবে অসম কন্যা লাভলীনা বৰগোহাঁইলৈ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা। এই সাফল্য অসমৰ যুৱ প্ৰজন্মৰ বাবে বিশেষকৈ উদীয়মান খেলুৱৈক সপোন দেখিবলৈ আৰু সেই সপোন বাস্তৱায়িত কৰিবলৈ সাহস যোগোৱাৰ বাটত উৎসাহৰ এটি উৎস হৈ ৰ'ব। আমি বিশ্বাস কৰোঁ, ভৱিষ্যতৰ দিনবোৰতো তেওঁ আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া মঞ্চত ভাৰত আৰু অসমৰ নাম অধিক উজ্জ্বল কৰি তুলিব।

# অন্ধ্ৰপ্ৰদেশত বিমান বন্দৰ

পুৰণি নীতিৰ সমালোচনা কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়- 'আমাৰ চৰকাৰে দেশৰ সাংস্কৃতিক আৰু সামাজিক ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকলৰ নামত গুৰুত্বপূৰ্ণ পৰিকাঠামোসমূহৰ নামকৰণ কৰিছে। অযোধ্যাৰ বিমান বন্দৰৰ নাম মহৰ্ষি বাল্মীকিৰ নামেৰে আৰু পঞ্জাবৰ বিমান বন্দৰৰ নাম সন্ত ৰবিদাসৰ নামেৰে ৰখা হৈছে। অন্ধ্ৰপ্ৰদেশৰ এই নতুন বিমান বন্দৰৰ নাম ৰখা হৈছে স্বাধীনতা সংগ্ৰামী আল্লুৰি সীতাৰাম ৰাজুৰ নামেৰে।' বিগত এক দশকত ভাৰতৰ বিমান পৰিসেৱাৰ যিসমূহ পৰিৱৰ্তন হৈছে, তাৰো খতিয়ান দিয়ে মোডীয়ে। তেওঁ কয় যে ২০১৪ চনৰ পূৰ্বে দেশত ৭৪টা বিমান বন্দৰ আছিল, কিন্তু বৰ্তমান ইয়াৰ সংখ্যা ১৬৬লৈ বৃদ্ধি হৈছে। ইয়াৰ ফলত যোগাযোগে ব্যৱস্থাৰ ব্যাপক সম্প্ৰসাৰণ হোৱা বুলি উল্লেখ কৰে তেওঁ। অন্ধ্ৰপ্ৰদেশৰ এই নতুন বিমান বন্দৰটো প্ৰায় পাঁচ হেজাৰ কোটি টকা ব্যয়েৰে জি এম আৰ গ্ৰুপে নিৰ্মাণ কৰি উলিয়াইছে। ইয়াৰ যাত্ৰী পৰিবহণৰ ক্ষমতা হৈছে বছৰি প্ৰায় ৬০ লাখ। আগত দিনত এই ক্ষমতা বছৰি চাৰি কোটিলৈ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। প্ৰায় ৩, ৮০০ মিটাৰ দীঘল ৰানৱে' বিশিষ্ট বিমানবন্দৰটো ব'য়িং, ড্ৰিমলাইনাৰ দৰে আধুনিক ৱাইড ব'ডি বিমান চলাচলৰ বাবে উপযোগী। বিমান বন্দৰটোত ১৭ আগষ্টৰ পৰা বাণিজ্যিক বিমানৰ সেৱা উপলভ্য হ'ব।

# মুখ্যমন্ত্ৰীৰ সাহায্য

পুঁজিলৈ ১১ কোটি টকাৰ উদাৰ অনুদান আগবঢ়োৱা খবৰটো হঠাতে জানিবলৈ পালোঁ। সদায়ে প্ৰচাৰৰ পৰা আঁতৰি নীৰৱে কাম কৰি অহা উদ্যোগপতিগৰাকীয়ে এইবাৰো অকল আৰ্থিক সহায় আগবঢ়োৱাতেই সীমাবদ্ধ নাথাকি বানপীড়িত হাজাৰ হাজাৰ পৰিয়ালৰ কাষত সময়মতে সহায় আগবঢ়াবলৈ বিভিন্ন মাধ্যমেৰে সামগ্ৰী সংগ্ৰহৰ দিশতো নীৰৱে কাম কৰিছে। অসমৰ উন্নয়নৰ যাত্ৰাত বিনিয়োগ কৰাৰ ক্ষেত্ৰত উদ্যোগপতিগৰাকীয়ে দেখুওৱা আস্থা আৰু সাহসৰ কথা উনুকিয়াই মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে সংকটৰ এই সময়ত অসমৰ জনসাধাৰণৰ প্ৰতি একেই দায়বদ্ধতা আৰু সহমৰ্মিতা প্ৰদৰ্শন কৰিছে গৌতম আদানিয়ে। বিশিষ্ট উদ্যোগপতিগৰাকীৰ লগতে অসমৰ বন্যাৰ্তলৈ সাহায্য আগবঢ়োৱাত পিছ পৰি ৰোৱা নাই বলীউডৰ জনপ্ৰিয় অভিনেতা আয়ুষ্মান খুৰানা আৰু কাৰ্তিক আৰিয়ানে। দুয়োগৰাকী অভিনেতাই মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ এক কোটিকৈ মুঠ দুই কোটি টকা আগবঢ়াইছে।

# প্ৰধানমন্ত্ৰীৰ বানাক্ৰান্ত

মুখ্যমন্ত্ৰীয়ে লগতে কয়, প্ৰধানমন্ত্ৰীয়ে শিৱসাগৰ আৰু চৰাইদেউ জিলা ভ্ৰমণ কৰিলে জিলা প্ৰশাসনে তিনিদিন আগৰ পৰাই ব্যস্ত হৈ যাব লাগিব। এইক্ষেত্ৰত বানপীড়িতসকলক সাহায্য আৰু পুনৰ উদ্ধাৰৰ বাবে অসুবিধাহে সৃষ্টি কৰিব। প্ৰধানমন্ত্ৰী সদায়ে মোৰ লগত সম্পৰ্কত আছে। বেংকৰ ঋণ ৰেহাইৰ পৰা, ইন্সুৰেঞ্চৰ পৰা যিমানবোৰ ঘোষণা কৰা হৈছে, প্ৰধানমন্ত্ৰীয়ে সাহস নিদিলে মই একোৱেই কৰিব নোৱাৰিলোঁ হয়। গতিকে প্ৰধানমন্ত্ৰীয়ে এই সকলোবোৰ ক্ষেত্ৰত মোক কৰ্তৃত্ব দিছে যে তুমি কৰি গৈ থাকা। যেতিয়াই তেওঁ অহাৰ এক পৰিৱেশ সৃষ্টি হ'ব, তেওঁ নিশ্চয় আহিব। অসমক প্ৰধানমন্ত্ৰীয়ে কেতিয়াও বিপদত পৰিব নিদিয়ে। সেই বিশ্বাস অসমৰ মানুহে ৰখা উচিত। প্ৰধানমন্ত্ৰীৰ পৰা আমি অফুৰন্ত সহায় পাই আছোঁ। এইক্ষেত্ৰত কোনো ত্ৰুটি হোৱা নাই, যদি ত্ৰুটি হ'লহেঁতেন তেন্তে ৰাস্তা-ঘাট বনোৱাৰ ক্ষেত্ৰত আমাক হাজাৰ কোটি টকা লাগিব। প্ৰধানমন্ত্ৰীৰ সাহসতেই এই আন্তঃগাঁথনিৰ নিৰ্মাণৰ কথাবোৰ কৈ আছোঁ।

ENGLISH NEWS SECTION

# Governor conducts aerial survey of flood-affected areas in Sivasagar and Jorhat



Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya today visited the flood affected areas of Sivasagar and Jorhat districts to assess the extent of the flood-hit damage and review the ongoing relief and rescue operations. He also undertook an aerial survey of the flood hit areas of Sivasagar, Charaideo and Jorhat to take note of the extent of damage caused by the current wave of flood. During his visit to Sivasagar district, the Governor visited the Laxmi Nagar Relief Camp and the Sivasagar High School Relief Camp, where he interacted with flood-affected families to to understand their sufferings and took stock of the facilities being provided at the camps. He also distributed relief materials among the inmates and enquired about the availability of food, drinking water, healthcare, sanitation and other essential services. Talking to the affected families, Shri Acharya assured them that the Government stands firmly with them and that every possible effort is being made to provide timely relief and restore normalcy at the earliest. He also conveyed that Prime Minister Shri Narendra Modi and Union Home Minister Shri Amit Shah are closely monitoring the flood situation in Assam and are extending all necessary support to the State. The Governor asked the district administration to pay special attention to the needs of children, women, lactating mothers, senior citizens and students staying in the relief camps and ensure that no affected family is deprived of essential assistance. He also stressed that relief operations should continue with compassion and efficiently until normalcy is restored. The Governor however, appreciated the tireless efforts of the district administration, disaster response teams, security forces, health personnel, volunteers and local communities for their dedicated service during the crisis.

# Governor interacts with Chancellor's Nominees to State Universities



Guwahati,RB News: Assam Governor and Chancellor of the State Universities, Shri Lakshman Prasad Acharya, today held a virtual interaction with the Chancellor's Nominees to the various statutory authorities and bodies of Gauhati University, Majuli University of Culture, Majuli and Assam Agricultural University, Jorhat from Lok Bhavan. During the meeting the Governor said that the appointment of the Chancellor's nominees reflect their competence, integrity and impartiality, and urged them to play a pivotal role in strengthening transparency, accountability, academic excellence and good governance in the universities. Stating that universities are centres of learning, research, innovation and character building, the Governor called upon the nominees to actively participate in the meetings of the university authorities and contribute constructively to policy formulation and institutional decision-making. He appealed to them to ensure that all decisions are guided by the provisions of the respective University Acts, Statutes, Ordinances and Regulations, besides adhering to the guidelines of the Government of Assam, the University Grants Commission (UGC) and other competent authorities. Shri Acharya advised the nominees to study agenda papers thoroughly before every meeting to understand procedural or administrative shortcomings if any at an early stage and offer objective, fact-based suggestions in the larger interest of the institutions. He also stressed the importance of monitoring the implementation of decisions taken by the university authorities and ensuring timely execution of pending matters. The Governor further invited the nominees to share suggestions on academic, administrative, financial and governance-related issues whenever necessary, assuring that appropriate recommendations would be communicated to the concerned universities in his capacity as Chancellor.

# Ankush Panghal enters final at CWG 2026



RB News: Indian boxer Ankush Panghal entered the Commonwealth Games (CWG) 2026 men's 80kg final after beating Canada's Joshua Ofori 5-0 by unanimous decision. With the win, Ankush has assured India of at least a silver medal and remains in contention for gold. The Indian pugilist showcased impressive speed, accuracy and composure throughout the bout to outclass his Canadian opponent.

# Preeti Pawar reach CWG 2026 final



RB News: Preeti Pawar has become the first Indian boxer to reach a final at Commonwealth Games (CWG) 2026. She defeated Zambia's Catherine Mwape 5-0 in the women's 54kg semi-final in Glasgow on Friday. By reaching the final, Preeti has assured India of at least a silver medal and will now compete for her maiden Commonwealth Games gold on Saturday.

# Ajinkya Rahane retires from international cricket



RB News: Former India captain Ajinkya Rahane has announced his retirement from international cricket on Thursday. The 38-year-old announced his retirement from international cricket and all formats through a video posted on social media. His final appearance in India colours came in the second Test against the West Indies in Port of Spain in July 2023.Rahane uploaded a video message with the caption: "Cap 278 signing off". "Thank you for all the love and support over the years. Forever grateful," Rahane wrote in his post. "I have always relied on timing in my batting, and I have always understood its importance. Today, I feel the timing is right for me to move on and announce my retirement from international cricket and all formats," Rahane said.

# দেউৰী সম্প্ৰদায়ৰ জনসংখ্যা কম হোৱাৰ ঐতিহাসিক কাৰণ




**জ্যোতিপ্ৰসাদ দেউৰী, কিনাপথাৰ দেউৰী গাঁও, লখিমপুৰ**

দেউৰী হৈছে অসমৰ অন্যতম প্ৰাচীন আৰু ঐতিহ্যবাহী জনজাতি। চুতীয়া ৰাজ্যৰ ইতিহাস, অসমীয়া সভ্যতা আৰু উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক ঐতিহ্যত দেউৰী সকলৰ অৱদান অতুলনীয়। তেওঁলোকৰ নিজস্ব ভাষা, সংস্কৃতি, সামাজিক ৰীতি-নীতি, ধৰ্মীয় বিশ্বাস আৰু পৰম্পৰাই দেউৰীসকলক এক সুকীয়া পৰিচয় প্ৰদান কৰিছে। তথাপিও আজিও বহু লোকৰ মনত এটা প্ৰশ্ন উত্থাপিত হয়-আন বহু জনজাতিৰ তুলনাত দেউৰী সম্প্ৰদায়ৰ জনসংখ্যা কিয় ইমান কম?

এই প্ৰশ্নৰ একমাত্ৰ নিশ্চিত উত্তৰ ইতিহাসত এয়াই যে, দেউৰী সমাজত প্ৰচলিত লোক পৰম্পৰা, বয়োজ্যেষ্ঠ সকলৰ বৰ্ণনা আৰু কিছুমান ঐতিহাসিক মুখ্য কাৰণ উল্লেখ কৰা হয়। ইয়াৰ ভিতৰত তিনিটা কাৰণ বিশেষভাৱে গুৰুত্বপূৰ্ণ বুলি গণ্য কৰা হয়।

১) পূজাৰী জীৱন আৰু অবিবাহিত অৱস্থা- 'দেউৰী' শব্দটোৰ সৈতে মন্দিৰ আৰু পূজা-অৰ্চনাৰ এক গভীৰ সম্পৰ্ক আছে। অতীতত দেউৰী সম্প্ৰদায়ৰ বহু পুৰুষে বিভিন্ন দেৱ-দেৱীৰ মন্দিৰত পূজাৰী হিচাপে সেৱা আগবঢ়াইছিল। তেওঁলোক সমাজত সন্মানীয় ব্যক্তি হিচাপে পৰিচিত আছিল আৰু ধৰ্মীয় আচাৰ-অনুষ্ঠান পৰিচালনাৰ দায়িত্ব পালন কৰিছিল।

লোক পৰম্পৰা অনুসৰি, বহু পূজাৰীয়ে নিজৰ জীৱন ধৰ্মীয় সেৱাৰ বাবে উৎসৰ্গা কৰিছিল। বহু ক্ষেত্ৰত তেওঁলোকে বিবাহ নকৰাকৈ বা অবিবাহিত অৱস্থাত পূজা-অৰ্চনাৰ দায়িত্ব পালন কৰিছিল বুলি জনা যায়। ফলত তেওঁলোকৰ বংশধৰ জন্ম হোৱা নাছিল।

এয়া যদি বহু প্ৰজন্ম ধৰি চলি থাকে, তেন্তে স্বাভাৱিকভাৱেই সম্প্ৰদায়টোৰ জনসংখ্যা বৃদ্ধিৰ গতি ধীৰ হ'ব। সমাজৰ বহু সুস্থ-সবল পুৰুষে যদি পাৰিবাৰিক জীৱন আৰম্ভ নকৰে, তেন্তে নতুন প্ৰজন্মৰ সংখ্যাও তুলনামূলকভাৱে কম হোৱাটো স্বাভাৱিক। এই পূজাৰী জীৱনেই দেউৰী জনসংখ্যা কম হোৱাৰ অন্যতম কাৰণ।

২) বহু দেৱীকৈ বিবাহ কৰাৰ প্ৰথা- দেউৰী সমাজত অতীতত বিবাহৰ ক্ষেত্ৰত এক বিশেষ সামাজিক পৰম্পৰা আছিল বুলি লোকপৰম্পৰাত উল্লেখ পোৱা যায়। বহু পুৰুষে জীৱনৰ বহু পিছত বিবাহ পাশত আবদ্ধ হৈছিল। ইয়াৰ কাৰণ হিচাপে পূজাৰীৰ দায়িত্ব, সামাজিক নিয়ম-নীতি বা আন কিছুমান পৰিস্থিতিৰ কথা কোৱা হয়।

বিবাহবহু দেৱীকৈ হ'লে সন্তান জন্ম দিয়াৰ সময়সীমা স্বাভাৱিকতে কমি যায়। ফলত বহু পৰিয়ালত সন্তানৰ সংখ্যাও সীমিত হৈ থাকে। যদি এই ধৰণৰ পৰিস্থিতি এটা সমাজত দীৰ্ঘ সময় ধৰি চলি থাকে, তেন্তে জনসংখ্যা বৃদ্ধিৰ হাৰো ধীৰ হৈ পৰে।

এইদৰে বহু প্ৰজন্মজুৰি দেৱীকৈ বিবাহ কৰাৰ সামাজিক প্ৰথাই দেউৰী সম্প্ৰদায়ৰ জনসংখ্যা বৃদ্ধিত প্ৰভাৱ পেলাইছিল।

৩) চুতীয়া আৰু আহোম ৰাজত্বকালৰ যুদ্ধত প্ৰাণাহুতি- দেউৰী সম্প্ৰদায়ৰ ইতিহাস চুতীয়া ৰাজ্যৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। চুতীয়া আৰু পিছলৈ আহোম ৰাজত্বকালত বহু দেউৰী লোকে ৰাজসভা, মন্দিৰ আৰু ধৰ্মীয় অনুষ্ঠানসমূহত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তেওঁলোক পূজা-অৰ্চনা, যজ্ঞ আৰু বিভিন্ন ৰাজকীয় ধৰ্মীয় অনুষ্ঠানৰ দায়িত্বত নিয়োজিত আছিল।

সেই সময়ছোৱাত বিভিন্ন যুদ্ধ, ৰাজনৈতিক সংঘাত আৰু ৰাজ্য বিস্তাৰৰ বাবে বহু ৰক্তক্ষয়ী সংঘৰ্ষ সংঘটিত হৈছিল। লোকপৰম্পৰা অনুসৰি, এই যুদ্ধসমূহত বহু দেউৰী লোকেও নিজৰ জীৱন উৎসৰ্গা কৰিছিল। কিছুমানে ৰাজকাৰ্যৰ অংশ হিচাপে, আন কিছুমানে নিজৰ সমাজ আৰু দায়িত্ব পালন কৰিবলৈ গৈ প্ৰাণ আহুতি দিছিল।

যুদ্ধত হোৱা এনে প্ৰাণহানিয়ে সম্প্ৰদায়টোৰ জনসংখ্যাৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাইছিল । বিশেষকৈ যেতিয়া এটা সম্প্ৰদায়ৰ জনসংখ্যাই আগতেই কম হয়, তেতিয়া এনে ক্ষতিৰ প্ৰভাৱ আৰু অধিক গভীৰ হয়।

দেউৰী সম্প্ৰদায়ৰ জনসংখ্যা কম হোৱাৰ বিষয়টো ইতিহাস, সমাজ আৰু সংস্কৃতিৰ সৈতে জড়িত এক জটিল বিষয়। পূজাৰী জীৱনত অবিবাহিত হৈ থকা, বহু দেৱীকৈ বিবাহ কৰা আৰু চুতীয়া-আহোম ৰাজত্বকালৰ যুদ্ধত হোৱা প্ৰাণহানি-এইতিনিটা কাৰণেই বিশেষভাৱে প্ৰধান।

# প্ৰয়াত অধ্যাপিকা আৰতি শৰ্মালৈ গভীৰ শ্ৰদ্ধাঞ্জলি



গভীৰ শোকৰ সৈতে জনোৱা হৈছে যে অধ্যাপিকা আৰতি শৰ্মা, ১ আগষ্ট ২০২৬, পুৱা ১০ঃ৪৫ বজাত, গুৱাহাটীস্থিত নেমকেৰ হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে।

তেওঁৰ জন্ম হৈছিল গহপুৰত। শৈশৱৰ পৰাই তেওঁ এগৰাকী মেধাৱী ছাত্ৰী হিচাপে পৰিচিত আছিল। তেওঁ কটন কলেজ, গুৱাহাটীৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী সম্পূৰ্ণ কৰে।

তেওঁ শিক্ষা জগতত নিষ্ঠা, সততা আৰু একাগ্ৰতাৰে সেৱা আগবঢ়াই চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয় (টীয়ক, যোৰহাট) অধ্যাপিকা হিচাপে কৰ্মজীৱন আৰম্ভ কৰে আৰু পিছলৈ একে মহাবিদ্যালয়ৰ উপাধ্যক্ষা (Vice Principal) হিচাপে অৱসৰ গ্ৰহণ কৰে। তেওঁৰ জ্ঞান, শৃংখলাবোধ, সৰলতা আৰু শিক্ষাৰ প্ৰতি অকৃত্ৰিম নিষ্ঠাই অসংখ্য ছাত্ৰ-ছাত্ৰীক অনুপ্ৰাণিত কৰি গৈছে।

তেওঁ আছিল অসমৰ প্ৰাক্তন ৰাজ্যিক নিৰ্বাচন আয়ুক্ত প্ৰয়াত শ্ৰী দিলীপ বৰঠাকুৰৰ সহধৰ্মিণী।

তেওঁৰ মৃত্যুত দুজন পুত্ৰ, তেওঁলোকৰ পৰিয়াল আৰু চাৰিজন নাতি-নাতিনীক এৰি গৈছে।

তেওঁৰ মৰম, আদৰ্শ, আশীৰ্বাদ আৰু জীৱনবোধ পৰিয়াল, আত্মীয়-স্বজন, বন্ধু-বান্ধৱ আৰু অসংখ্য শুভাকাংক্ষীৰ হৃদয়ত চিৰদিন জীয়াই থাকিব।

তেওঁৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ।

'ওঁ শান্তি'

# দুঃসাহসিক, শিহৰণকাৰী যাত্ৰা

উপস্থিত আছে। কথাখিনি শুনি কিছু সময় পূৰ্বে নিজৰ সমষ্টিতে শিহৰিত হৈ থকা মনটোৱে অলপ সাহস পালে। বৰষুণ এৰাৰ পাছত মটৰচাইকেলেৰে যাত্ৰা আৰম্ভণি কৰিবলৈ লওঁতে এইবাৰ মটৰচাইকেল খনে নাটক আৰম্ভ কৰিলে, বৰষুণৰ পানী সোমাই মটৰচাইকেল ষ্টাৰ্ট নহয় হে নহয়, কিন্তু মানুহখিনি হেল্পফুল আছিল, পাছত তেওঁলোকৰ প্ৰচেষ্টাত মটৰচাইকেল ষ্টাৰ্ট হ'ল আৰু আমি পুনৰ যাত্ৰা আৰম্ভ কৰিলো, পাহাৰৰ মাজেমাজে মেঘৰ বুকু ভেদ কৰি আমি কেৱল আগুৱাই গৈ আছো, কিছুসময়ৰ অন্তত আকৌ এখন পাহাৰীয়া ক্ষুদ্ৰ গাঁৱত উপস্থিত হ'লো, গাঁওখন নাম চাংমা নগৰ, মানুহৰ বসতি কম, কাষেৰে বৈ গৈছে পাহাৰীয়া এটি নদী য'ত সৰুসৰু লৰাছোৱালী বোৰে সাঁতুৰি আছে, পাহাৰীয়া পথাৰত ৰুৱনী বোৱনীয়ে কাম কৰি আছে। এটা বৰ্ণনা কৰিব নোৱৰা পৰিৱেশ। কিছুসময় সেই গাঁওখনত অতিবাহিত কৰি আগবাঢ়িলো, প্ৰায় এঘণ্টাৰ অন্তত আমি এটা জলপ্ৰপাত দেখা পালো, জলপ্ৰপাতৰ মনোমোহা দৃশ্যই ৰোমাঞ্চিত কৰিলে। পাছত তদন্ত কৰি গম পালো ঠাইখিনিৰ নাম ৰাণী জালুক পাহাম, বহু দিনৰ পৰা শুনি আছিলো অৱশেষত আমি গন্তব্যস্থান পালো। লাহলাহে সন্ধিয়া নামি আহিল আমিও তৎপৰ হ'লো সোনকালে পাহাৰৰ পৰা ভয়াম পাব লাগে কাৰণ তাত বন্যহস্তিৰ উপদ্ৰৱ চ'লে। আমিও পলম নকৰি মটৰচাইকেল চলাইছো হে চলাইছো সোনকালে ঘাইপথ পাব লাগে। অলপ সময়ৰ পাছত যথেষ্ট মানুহৰ সমাগম দেখিলো ভাবিলো ঘাইপথ পালো এতিয়া ৰক্ষা পৰিলো কিন্তু সেই সুখ আমাৰ খন্তেকীয়া আছিল কাৰণ মানুহৰ সমাগম দেখিলো সঁচা কিন্তু ঘাইপথৰ পোৱাৰ পৰা আমি এতিয়াও বহু দূৰত। আমি তেতিয়া উপস্থিত হৈছিলো ঘৰভংগাত, ঘৰভংগাৰ পৰা ঘাইপথলৈ আৰু এঘণ্টাৰ পথ, সন্ধিয়া নামি পৰাত চৌদিশে অন্ধকাৰ হবলৈ ধৰিলে, আমিও প্ৰাণ হাতত তুলি পাহাৰীয়া জংঘল, নীৰৱতা ফালি লক্ষ্যস্থানৰ অন্তিম দুঃসাহসিক যুঁজ দিবলৈ সাঁজু। বিস্মৃত, ৰোমাঞ্চিত শিহৰণকাৰী যুঁজখনৰ অন্ত পৰিল আমি অৱশেষত পোহৰ দেখা পালোঁ। পাহাৰৰ নিৰ্জনতাৰ পৰা যান্ত্ৰিকতাত প্ৰৱেশ কৰি আমি দুয়ো গুৱাহাটী লখৰা পালো। শেষত গুৱাহাটী লখৰাৰ পৰা জালুকবাৰী হৈ নিশা প্ৰায় ৮ মান বজাত মিৰ্জা পালোঁ। আৰু ইয়াতেই শেষ হয় আমাৰ দুঃসাহসিক, বাকৰুদ্ধ, ৰোমাঞ্চিত পাহাৰৰ নিৰ্জনতাৰ পৰা ভয়ামলৈ ক্ষুদ্ৰ ভ্ৰমণ যাত্ৰা।

ৰঙিলী বাৰ্ত্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286